# শিশু সাহিত্য

বিজয়া ডেকা
সহযোগী তথা মূৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

সময়ৰ অগ্ৰগতিত প্ৰতিগৰাকী শিশুৱে এটা সময়ত প্ৰাণ চঞ্চল হৈ পৰে যাৰ বাবে নজনাক জানিবলৈ, নেদেখাক চাবলৈ সিহঁত কৌতুহলী হৈ উঠে। বহুসময়ত কৌতুহলী মনৰ বাবে সিহঁতে বিভিন্ন প্ৰশ্ন সুধি ডাঙৰক ব্যতিব্যস্ত কৰি তোলে। নিজৰ চাৰিওফালৰ পৰিবেশ শিশুৰ বাবে সদায় ৰঙীন। শিশুৰ কল্পনাপ্ৰৱণ মনৰ অনুভূতি উপলব্ধি কৰি সিহঁতৰ বাবে উপযোগী কৰি যি সাহিত্য ৰচনা কৰা বা লেখা হয় এক কথাত সেয়ে শিশু সাহিত্য। সপোনৰ পৃথিৱীত উটি-ভাঁহি ফুৰা, নিজৰ পৃথিৱীখনতে বিচৰণ কৰি আত্মসন্তুষ্টি লাভ কৰা, হাঁহিৰে সৰগ জয় কৰা, সকলোকে অনুকৰণ কৰা, পিতৃ-মাতৃৰ মৰম বিচাৰি ফুৰা, স্বাধীন চিতিয়া মনৰ, অলপতে ঠেহ ধৰা আদি হ'ল শিশুৰ বৈশিষ্ট্য। এনেবোৰ দিশ সামৰি যি সাহিত্য ৰচনা কৰা হয় সেয়েই শিশু সাহিত্য। অৱশ্যে ইয়াৰ দুটা অৰ্থ হ'ব পাৰে- (ক) শিশুৰ বাবে ৰচনা কৰা আৰু (খ) শিশুসকলে ৰচনা কৰা। এই শিশুবোৰক কেন্দ্ৰ কৰি নানা ধৰণৰ ৰচনা আছে। সেইবোৰৰ ভিতৰত নিচুকনি গীত, ওমলা গীত, সাধুকথা, আইনাম, বিভিন্ন ধৰণৰ গীত-মাত আদি উল্লেখযোগ্য। সুখে দুখে প্ৰচলিত হৈ অহা বা সুখ বাগৰি জীয়াই থকা পুৰণি নাম, পদ, মালিতা, ফকৰা-যোজনা, বচন, সাঁথৰ, সাধুকথা, নিচুকনি গীত, ওমলা গীত আদিয়ে সময়ৰ সোঁতত লিখিত ৰূপ পালে।

শিশুৰ মানসিক বিকাশ আৰু শুদ্ধ চিন্তা ধাৰণা গঢ় দিয়াৰ ক্ষেত্ৰত শিশু সাহিত্যৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। অৱশ্যে শিশুসাহিত্য ৰচনা কৰা তেনেই সহজ নহয়। শিশুৰ মনৰ প্ৰতি বা বয়সৰ প্ৰতি লক্ষ্য ৰাখিহে শিশু সাহিত্য ৰচনা কৰা দৰকাৰ। শিশুৰ ৰুচি-অভিৰুচি বা শিশুৰ মানসিক প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা সাহিত্য ৰচনা কৰিবলৈ লেখক শিশুৰ দৰে কোমল অন্তৰৰ হোৱা অতি প্ৰয়োজনীয় কথা। বিজ্ঞানৰ মতে শিশুৰ স্বভাৱ চৰিত্ৰ যি লেখকৰ মনত ভাঁহি উঠে তেওঁহে শিশুৰ বাবে মন পৰশা লেখনি লেখিব পাৰে।

বয়স অনুপাতে শিশু সাহিত্য ভিন্ন ৰুচিসম্পন্ন তথা বিভিন্ন দিক্-দৰ্শনৰ হোৱা উচিত। তেনেই কুমলীয়া শিশুহঁতৰ বাবে লিখনিসমূহ সচিত্ৰ হ'ব লাগে। ভাষাৰ সৰল ব্যৱহাৰ আৰু ছবিৰ প্ৰয়োভৰ হ'লে শিশুৰ বাবে ই আনন্দদায়ক হয়। ৩/৪ বছৰ বয়সীয়া শিশুৰ বাবে ৰঙীন ছবিযুক্ত কিতাপহে প্ৰয়োজন। সেয়ে পূৰ্ব প্ৰাথমিক স্তৰৰ পাঠ্যপুথিত ছবি আৰু ছন্দৰ প্ৰয়োগ দেখা যায়। গছ-বিৰিখ, চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰ ৰঙীন ছবি আৰু সেইবোৰে কথা কোৱা, গান গোৱা, নৃত্য কৰা আদিয়ে শিশুৰ মনত বিমল আনন্দ দিয়াৰ উপৰিও তাৰ চাৰিওফালে থকা পৰিবেশৰ ওপৰত নানা ধাৰণা বিকাশত সহায় কৰে।

বাল্যকালৰ অৰ্থাৎ ৬-১০/১১ বছৰ বয়সৰ শিশুৰ মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বাস্তৱ জীৱনৰ লগত মিল থকা কথা বা কাহিনীয়ে শিশু সাহিত্যত স্থান পোৱা আৱশ্যক। যিবোৰ পঢ়িলে মানসিক উৎকৰ্ষ সাধনৰ লগতে মূল্যবোধ আহৰণ কৰাত সহায়ক হ'ব পাৰে। তেনে কাহিনী পঢ়ি শিশুৱে নিজক বুজিবলৈ সুবিধা লাভ কৰিব পাৰে আৰু অলপ হ'লেও বাস্তৱ জীৱনৰ কথা বুজিবলৈ সক্ষম হ'ব পাৰে। সেয়ে শিশু সাহিত্যত অতিমাত্ৰা অলৌকিক কাহিনী বৰ্জন কৰা শ্ৰেয়।

কৈশোৰ কালৰ (১২-১৮ বছৰ বয়স) শিশুৰ বাবে ৰচনা কৰা সাহিত্যৰ বিশেষ স্থান আছে। এই বয়সৰ ল'ৰা-ছোৱালীৰ সামাজিক বিকাশ ঘটে। নিজৰ অদম্য শক্তিৰ প্ৰতিও সিহঁত কম-বেছি পৰিমাণে সজাগ হয়। সেয়ে এনে স্তৰৰ বাবে ৰচনা কৰা সাহিত্যসমূহ এনেবিধৰ হ'ব লাগে যিয়ে কিশোৰ-কিশোৰীৰ মানসিক খোৰাক যোগাব পাৰে, ৰুচি-অভিৰুচি পূৰণ কৰিব পাৰে। কাল্পনিক কাহিনী, ভ্ৰমণ কাহিনী, বিজ্ঞানমূলক কাহিনী, গঠনমূলক কাহিনী আদিয়ে এই বয়সৰ ল'ৰা-ছোৱালীৰ অন্তৰ্নিহিত শক্তি তথা মানসিক বিকাশৰ উত্তৰণ ঘটাই নিজৰ দায়িত্ববোধ জগাই তুলিব পাৰে। দুঃসাহসিক কাম-কাজ কৰিবৰ বাবে

অভিপ্ৰেত হ'ব পাৰে।

শিশু সাহিত্য ৰচনাৰ বেলিকা কেবাটাও কথাৰ প্ৰতি চকু দিয়া দৰকাৰ। জাতি-ভেদ, হিংসা, লিংগবৈষম্য আদিৰ পৰা এই ৰচনাসমূহ উচ্ছ্বত থাকিব লাগে। বাক্য চুটি, ভাষা সহজ-সৰল বা সহজ বোধগম্য হোৱা বিধৰ হ'লেহে শিশু পঢ়িবলৈ আগ্ৰহী হয়। কাহিনীসমূহ বেছি বৰ্ণনাত্মক বা দীঘলীয়া নহৈ কথোপকথনৰ মাজেৰে আগবাঢ়িলে মনোগ্ৰাহী হয়। সেইদৰে যুক্তাক্ষৰ যিমান পাৰি বৰ্জন কৰিব লাগে। মনোৰঞ্জন লাভ কৰাৰ লগতে ৰচনা সমূহ যাতে নৈতিকতা বা মূল্যবোধৰ বিকাশত সহায়ক হয় তাৰ প্ৰতিও সততে নজৰ ৰাখিলে ভাল। শিশুৰ মনত থকা কৌতুহল পূৰণ অথবা অন্ধবিশ্বাস আদি দূৰ কৰিব পৰা বিধৰ হ'ব লাগে। উল্লেখযোগ্য যে বৰ্তমান সময়ত প্ৰযুক্তি বিদ্যাৰ সহজলভ্য মনোৰঞ্জন ব্যৱস্থাত বহু শিশু নিমজিত হৈ থাকে। পাঠ্যপুথিৰ তাগিদাৰ উপৰিও টিভি, মবাইলফোন, ইণ্টাৰনেট আদিৰ মনোৰঞ্জনমূলক অনুষ্ঠানৰ আকৰ্ষণৰ বাবে শিশুসকলক গ্ৰন্থৰ পৃথিৱীত প্ৰৱেশ কৰোৱাটো পিতৃ-মাতৃ তথা অভিভাৱকৰ বাবে এক প্ৰত্যাহবান স্বৰূপ হৈ পৰিছে। কিন্তু এবাৰ গ্ৰন্থৰ সুবাস দিয়াব পাৰিলে কিতাপ শিশুৰ বন্ধু হৈ পৰিব পাৰে। সাম্প্ৰতিক সময়ত অলেখ কিতাপে বজাৰ চানি ধৰিছে। অৱশ্যে সকলোবোৰ কিতাপ শিশুৰ বাবে উপযোগী নহয়। গতিকে কিমান বয়সৰ শিশুৰ্ বাবে কেনেধৰণৰ কিতাপ উপযোগী হ'ব পিতৃ-মাতৃ অভিভাৱক তথা শিক্ষকসকলে ঠিক কৰা উচিত। কোমলমতীয়া শিশুৰ মনত গ্ৰন্থ বা কিতাপ পঢ়াৰ সু-অভ্যাস গঢ়ি তুলিবৰ বাবে ঘৰত এটি পঢ়াৰ পৰিবেশ থাকিব লাগে। আজৰি সময়ত ঘৰৰ পৰিয়ালৰ সদস্যসকলে পঢ়া দেখিলে শিশুৰো মন সেইদিশে ধাবিত হ'ব পাৰে। জন্মদিন বা যিকোনো শুভদিনত, বিহু-পূজা আদিত কিতাপ উপহাৰ দিব পাৰি। পুথিভঁৰাল বা গ্ৰন্থমেলালৈ নিয়া আদি কামৰ দ্বাৰাও শিশুৰ মনত পঢ়িবলৈ ইচ্ছাশক্তি জগাই তুলিব পাৰি। খবৰ কাগজত নিয়মীয়াকৈ অহা "শিশুশিতান" সমূহৰ প্ৰতিও অভিভাৱকসকলে দৃষ্টি দিয়াব লাগে। অসমৰ এক স্বেচ্ছাসেৱী অগ্ৰণী অনুষ্ঠান জ্ঞান-বিজ্ঞান সমিতি, অসমে শিশু তথা নৱ-সাক্ষৰৰ মাজত কিতাপ পঢ়াৰ আন্দোলন চলাই পঢ়াৰ পৰিবেশ সৃষ্টি কৰিবলৈ যত্ন কৰাটো এক লেখত লবলগীয়া কথা।

সাম্প্ৰতিক সময়ত শিশু উপযোগী ভালেমান আলোচনীও দেখা যায়। য'ত শিশুৱে নিজৰ মনৰ ভাৱ উপস্থাপন কৰিব পাৰে আৰু শিশুৰ বাবে ডাঙৰসকলে লিখে। আমাৰ অসমীয়া সাহিত্যজগতত বহু আগৰে পৰা প্ৰকাশিত হৈ অহা সঁফুৰা, মুকুতা, মৌচাক, কিশোৰ-কান... আদি শিশু আলোচনীয়ে শিশুৰ মানসিক উৎকৰ্ষ সাধনত সহায় কৰা লগতে অসমীয়া সাহিত্যৰ পথাৰখনতো শস্য সিঁচি আছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, অতুল চন্দ্ৰ বৰুৱা, নৱকান্ত বৰুৱা, নিৰ্মল প্ৰভা বৰদলৈ, ভবেন্দ্ৰনাথ শইকীয়া, ভূপেন হাজৰিকা, গগন চন্দ্ৰ অধিকাৰী, বিৰিঞ্চি কুমাৰ মেধি, বন্দিতা ফুকন আদি অনেক লেখকৰ লেখনিয়ে শিশুসকলৰ মনত ৰেখাপাত কৰিবলৈ সক্ষম হৈছে। ৰসৰাজ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা প্ৰকাশিত 'বুঢ়ী আইৰ সাধু'খনে ইতিমধ্যে জনপ্ৰিয়তাৰ শতবৰ্ষ গৰকি গৈছে।

প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা, অসম শিশু সাহিত্য ন্যাস, বুক হাইভ আদি প্ৰকাশন গোষ্ঠীয়ে শিশু উপযোগী ভালেমান কিতাপ বছৰে বছৰে প্ৰকাশ কৰি আহিছে। শিশু সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি থকা ভাৰতবৰ্ষৰ আন প্ৰতিষ্ঠান সমূহৰ ভিতৰত নতুন দিল্লীৰ শিশু গ্ৰন্থ ন্যাস (Children's Book Trest) আৰু ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাস (National Book Trest) আদিৰ নাম উল্লেখযোগ্য।

উল্লেখনীয় যে মাতৃভাষাৰ জৰিয়তেহে শিশুৱে পঢ়াৰ আনন্দ লাভ কৰিব পাৰে। সেয়ে হলেও অন্য ভাষাৰ পৰা অনুবাদ কৰা শিশু গ্ৰন্থসমূহৰ প্ৰতিও শিশুৰ মন আকৰ্ষণ কৰিব লাগে। তেতিয়া অন্য ভাষাৰ সাহিত্যৰ সোৱাদো পাব আৰু শিশু সাহিত্যিক সকলক জনাৰো সুবিধা লাভ কৰিব। এনেকৈ শিশুৰ মনৰ দিগন্ত প্ৰসাৰিত হ'ব পাৰে।

সামৰণিত ক'ব পাৰি যে একোটা অন্তৰ চুই যোৱা কাহিনী বা কিতাপে শিশুসকলৰ মনত গভীৰভাৱে ৰেখাপাত কৰিব পাৰে। ইতিহাসৰ পাতত ইয়াৰ উদাহৰণ পোৱা যায়। সিন্ধুমুণিৰ পিতৃ-মাতৃ ভক্তিৰ কাহিনী তথা ৰজা হৰিচন্দ্ৰৰ কাহিনী পঢ়ি বালক গান্ধীজী অভিভূত হৈ পৰিছিল। সেই দুয়োখন কিতাপে গান্ধীজীৰ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। সেইদৰে বৰ্তমানে ড° এ. পি. জে আব্দুল কালামৰ জীৱনী পঢ়িও বহু শিশু অনুপ্ৰাণিত হোৱা দেখা গৈছে। বিজ্ঞানী ষ্টিফেন হকিংচৰ কাহিনীৰ কথা নকলোৱে যেনিবা। সেয়ে বাবে বৰণীয়া শিশু কিতাপ শিশুক উপহাৰ দি শিশুৰ মনত বিমল আনন্দ দিয়াৰ লগতে শিশুৰ নিজৰ দায়িত্ব-কৰ্তব্য আদিৰ প্ৰতি সচেতনতা আদি গঢ়ি তুলি সুনাগৰিক সৃষ্টি হোৱাত সহায় কৰিব পাৰি। অৰ্থাৎ শিশু সাহিত্যই মানবীয় প্ৰমূল্যসমূহ আহৰণ কৰোৱাই এখন সুন্দৰ পৃথিৱীৰ সপোন দেখাত শিশুসকলক অনুপ্ৰাণিত কৰিব পাৰে।♥

# ধৰ্ম আৰু ভাষা ঃ এক সমাজ-ভাষাতাত্ত্বিক অধ্যয়ন
## (অসমীয়া ভাষাৰ বিশেষ উল্লিখনসহ)

ড° ললিত চন্দ্ৰ ৰাভা
*অধ্যাপক*

**পাতনি ঃ**

নৃগোষ্ঠীভেদে ভাষাৰ স্বৰূপ যেনেদৰে ভিন্ন হ'ব পাৰে, ঠিক তেনেদৰে ধৰ্মভেদেও ভাষাৰ স্বৰূপ ভিন্ন হ'ব পাৰে। একে ভাষা সম্প্ৰদায়ৰ মাজতো ধৰ্মভেদে ভাষাৰ এই পাৰ্থক্য লক্ষ্য কৰা যায়। ধৰ্মভেদে ভাষাৰ যে পাৰ্থক্য আছে, এই কথা প্ৰথমে আলোচনা কৰিছিল ১৯৭৭ চনত মেকলে নামৰ ভাষাবিদজনে তেওঁৰ 'Language, Social Class and Education : A Glasgow Study' নামৰ গ্ৰন্থখনত। তেওঁ 'গ্লাছগো' নামৰ উপভাষাৰ গৱেষণা কৰোঁতে কেনেদৰে খৃষ্টান ধৰ্মৰ দুই সম্প্ৰদায় কেথলিক আৰু অকেথলিক সম্প্ৰদায়ৰ লোকৰ ভাষাৰ মাজত থকা পাৰ্থক্য সমূহ লক্ষ্য কৰিছিল, তাকে এই গ্ৰন্থখনৰ মাজেদি তেওঁ দাঙি ধৰিছিল।

**অসমীয়া ভাষাত ধৰ্মভেদ ঃ**

অসমীয়া ভাষা মূলতঃ সংস্কৃতমূলীয়। সাধাৰণতে সংস্কৃত হিন্দু শাস্ত্ৰৰ ভাষা। পূৰ্বতে অসমখন প্ৰধানতঃ বিভিন্ন জনজাতীয় লোকৰ লগতে হিন্দু ধৰ্মৰ বিভিন্ন সম্প্ৰদায়ে বসবাস কৰিছিল যদিও পৰৱৰ্তীকালত ইছলাম ধৰ্মাৱলম্বী আৰু খৃষ্টান ধৰ্মাৱলম্বী লোকৰ প্ৰৱেশ ঘটিছিল। তাৰ লগে লগে তেওঁলোকৰ ধৰ্মৰ লগত জড়িত বিভিন্ন শব্দৰ প্ৰৱেশো অসমীয়া ভাষাত ঘটিছিল।

সময়ৰ লগে লগে ইছলাম আৰু খৃষ্টান ধৰ্মাৱলম্বী লোকসকলেও অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া জাতিৰ মূল সুঁতিত বিলীন হৈছিল। কিন্তু ধৰ্ম বেলেগ বেলেগ হোৱাৰ কাৰণে এই আটাইকেইটা ভাষা সম্প্ৰদায়ৰ ভাষাৰ মাজত কেতবোৰ পাৰ্থক্য স্পষ্টভাৱে দেখা যায়। আমাৰ এই আলোচনাত অসমীয়া ভাষী হোৱা সত্ত্বেও কেনেদৰে ধৰ্মভেদে ভাষাটোৰ স্বৰূপ বেলেগ বেলেগ হৈছে, তাকে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। খৃষ্টান ধৰ্মাৱলম্বী লোকৰ সংখ্যা কম হোৱা বাবে এই আলোচনাত কেৱল হিন্দু আৰু ইছলাম ধৰ্মৰ প্ৰসঙ্গহে অনা হৈছে।

হিন্দু আৰু ইছলাম ধৰ্মাৱলম্বী লোকৰ মাজত ভাষাৰ পাৰ্থক্য লক্ষ্য কৰা যায় প্ৰধানতঃ ধৰ্ম সম্পৰ্কীয় শব্দ, সম্বন্ধসূচক শব্দ নামবাচক শব্দ আদিৰ ক্ষেত্ৰত। এই শব্দসমূহ পৰ্যালোচনা কৰিলে দেখা যায় যে হিন্দু লোকসকলে ব্যৱহাৰ কৰা শব্দসমূহৰ মূল হৈছে সংস্কৃত শব্দ আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকলে ব্যৱহাৰ কৰা শব্দসমূহৰ মূল হৈছে আৰবী-ফাৰ্চীমূলীয়। তলত এই বিষয়ে উদাহৰণসহ আলোচনা কৰা হ'ল।

**(ক) ধৰ্ম সম্পৰ্কীয় শব্দ ঃ**

| হিন্দু ব্যৱহৃত শব্দ | মুছলমান ব্যৱহৃত শব্দ |
|---|---|
| ঈশ্বৰ | আল্লা |
| মন্ত্ৰণাদাতা | উজিৰ |
| সৰ্বশক্তিমান | কাদিৰ |
| ভগৱান | খোদা |
| প্ৰাৰ্থনা | নামাজ |
| স্বৰ্গ | বেহেস্ত |
| নৰক | দোজখ |

| | |
|---|---|
| দেৱতা | ফেৰেস্তা |
| উপবাস | ৰোজা |
| মন্দিৰ | মছজিদ |
| আয়ুস | হায়াত |
| ধৰ্মগুৰু | মুৰ্ছিদ |
| প্ৰবীন ভক্ত | মোল্লা |
| বাণী | কালাম |
| কৰুণাময় | ৰহিম |
| প্ৰাৰ্থনা | দোৱা |
| সত্য | হকিকত |
| পাপ | গুণাহ |
| স্ৰষ্টা | খালেক |
| নেতা, গুৰু | ইমাম |
| শিষ্য | উম্মত, মুৰিদ |
| মৃতকৰ আত্মাৰ কাৰণে প্ৰাৰ্থনা | জানাজা |
| সিদ্ধি লাভ কৰা লোক | কুতুব |

**(খ) সম্বন্ধসূচক শব্দ ঃ**

| হিন্দু ব্যৱহৃত শব্দ | মুছলমান ব্যৱহৃত শব্দ |
|---|---|
| দেউতা/পিতা | আব্বা |
| মা | আম্মা |
| খুড়া | চাচা |
| বাইদেউ | আপা |
| ককা | নানা |
| আইতা | নানী |
| দাদা/ভাইটি | ভাই/আখুন |
| জোঁৱাই | দামাদ |
| মাহী | খালা |
| পেহী | পুবু |
| ভনী/বাইদেউ | বোন |

**(গ) সম্বোধন আৰু অভিবাদনসূচক শব্দ ঃ**

হিন্দু আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যৱহৃত সম্বোধনসূচক আৰু অভিবাদনসূচক শব্দৰ মাজতো পাৰ্থক্য লক্ষ্য কৰা যায়। হিন্দু লোকসকলে সাধাৰণতে অভিবাদন জনাব লগা হ'লে 'নমস্কাৰ' জনায়; আনহাতে মুছলমান লোকসকলে অভিবাদন জনাব লগা হ'লে 'আচ্চালাম আলাইকুম' আৰু 'আদাব' শব্দৰ প্ৰয়োগ কৰে। হিন্দু লোকসকলে সন্মান জনাবলৈ নামৰ লগত সাধাৰণতে 'দেৱ' ব্যৱহাৰ কৰে। কিন্তু ইছলাম ধৰ্মাৱলম্বী লোকসকলে সাধাৰণতে নামৰ লগত 'জোনাব', 'চাহাব', 'চাহিব', 'মিয়া' আদি শব্দৰ প্ৰয়োগ কৰে। সম্বোধন কৰোতে হিন্দুসকলে 'বোপা', 'বাপু', 'দেউ' আদি শব্দৰ ব্যৱহাৰ কৰাৰ বিপৰীতে মুছলমান লোকসকলে 'চাহাব', 'দিদি' আদি শব্দৰ প্ৰয়োগ কৰে।

নিকটজনক সন্মান বা মৰম প্ৰদৰ্শনৰ ক্ষেত্ৰতো হিন্দু আৰু মুছলমান লোকসকলে বেলেগ বেলেগ শব্দৰ প্ৰয়োগ কৰা দেখা যায়। মুছলমান লোকসকলে জ্যেষ্ঠজনক সন্মান জনাবলৈ সমোধনসূচক শব্দৰ লগত 'জান' (যেনে-আব্বাজান, আম্মাজান, ভাইজান) ব্যৱহাৰ কৰে। আনহাতে হিন্দুসকলে জ্যেষ্ঠজনক সন্মান জনাবলৈ 'দেউ' ব্যৱহাৰ কৰে। যেনে- পিতাদেউ, খুড়াদেউ, মোমাইদেউ ইত্যাদি।

**(ঘ) নামকৰণ ঃ**

হিন্দু আৰু মুছলমান লোকসকলৰ নামৰ ক্ষেত্ৰতো স্পষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়। সাধাৰণতে এই দুয়ো সম্প্ৰদায়ৰে নামকৰণ প্ৰক্ৰিয়াৰ লগত ধৰ্ম পোনপটীয়াভাৱে জড়িত থকা দেখা যায়। হিন্দু লোকসকলৰ নামসমূহ প্ৰধানতঃ সংস্কৃতমূলীয় হোৱাৰ বিপৰীতে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ নামসমূহ প্ৰধানতঃ আৰবী-ফাৰ্চীমূলীয় হোৱা দেখা যায়। হিন্দু লোকসকলে নামৰ আগত 'শ্ৰী' ব্যৱহাৰ কৰে; আনহাতে ইছলাম ধৰ্মাৱলম্বী লোকসকলে নামৰ আগত 'মোহম্মদ' শব্দ ব্যৱহাৰ কৰে। হিন্দু লোকসকলে মধ্যনাম হিচাপে (middle name) পুৰুষৰ ক্ষেত্ৰত 'চন্দ্ৰ' (বিনন্দ চন্দ্ৰ বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা), 'কুমাৰ' (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চন্দ্ৰ কুমাৰ আগৰৱালা, অৱনী কুমাৰ ভাগৱতী), 'প্ৰসাদ' (জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা), 'দেৱ' (অমল দেৱ গোস্বামী, বুদ্ধ দেৱ বসু), 'জ্যোতি' (দিব্য জ্যোতি বৰা, শেখৰ জ্যোতি ভূঞা), 'আনন্দ', 'বিকাশ' (বিদ্যুৎ বিকাশ বৰুৱা), নাথ (সত্যেন্দ্ৰ নাথ গোস্বামী, গোপী নাথ দাস, বীৰেন্দ্ৰ নাথ দত্ত),

'কিশোৰ' (যুগল কিশোৰ নাথ), 'মোহন' (কিশোৰী মোহন পাঠক), 'চৰণ' (শিৱ চৰণ কলিতা), 'ৰাম' (বিষ্ণু ৰাম দাস, মণি ৰাম বড়ো), 'লোচন' (পদ্ম লোচন দাস), ভূষণ (কৰ্ণ ভূষণ বাভা), 'কৰণ' (কৰুণা কৰণ কলিতা), 'কান্ত' (চন্দ্ৰ কান্ত দাস, ৰজনী কান্ত বৰদলৈ) 'প্ৰতীম' (প্ৰশান্ত প্ৰতীম দাস), 'গোবিন্দ' (হৰ গোবিন্দ ডেকা), 'নাৰায়ণ' (লক্ষ্মী নাৰায়ণ শইকীয়া)আদি আৰু মহিলাৰ ক্ষেত্ৰত 'বালা' (মধু বালা দাস), 'ৰাণী' (ৰেখা ৰাণী দাস), 'কুমাৰী' (মীনা কুমাৰী কলিতা, ফুল কুমাৰী কলিতা), 'মণি' (ঋতুমণি দাস), 'প্ৰিয়া' (বিষ্ণু প্ৰিয়া ঠাকুৰীয়া, লক্ষ্মী প্ৰিয়া দাস, বিমলা প্ৰিয়া দেৱী) আদি শব্দ ব্যৱহাৰ কৰে। আনহাতে মুছলমানসকলে পুৰুষৰ ক্ষেত্ৰত 'উদ্দিন' (কামাল উদ্দিন আহমেদ),'হাছান' (চৈয়দ হাছান চৌধুৰী), 'ইকৰাম' (চৈয়দ ইকৰাম আলী), 'ওচমান' (চৈয়দ ওচমান গনি), 'আব্দুল' (চৈয়দ আব্দুল মালিক), 'উজ্' (আনিছ উজ্ জামান), 'উল্', (ডেনিছ উল্ আলম), 'আল্', 'আলম' (চাহ আলম চৌধুৰী), 'মামুদ' (ফজল মামুদ চিদ্দিক), 'জামান' (মনিৰুজ জামান সেখ) আদি আৰু মহিলাৰ ক্ষেত্ৰতো তেনেকৈ 'নেছাৰ', 'আখতাৰা', 'নেছা', 'আৰা' (য়াছমিন আৰা বেগম, বৌছন আৰা বেগম), 'চুলতানা' (চেমিম চুলতানা আহমেদ), 'য়াছমিন' (ৰেছমা য়াছমিন বেগম), 'নেগাৰ' (চামচুন নেগাৰ বেগম), 'জেবিন' (মোমি জেবিন খান), 'বানু' (ফুল বানু বেগম), 'উন' (নহাৰ উন নিছা) আদি শব্দৰ ব্যৱহাৰ কৰাৰ লগতে পুৰুষ আৰু মহিলা নিৰ্বিশেষে পিতৃৰ উপাধিকো মধ্যনাম হিচাপে ব্যৱহাৰ কৰা দেখা যায়। যেনে-ইয়াকুব আলী আহমেদ।

(ঙ) দৈনন্দিন জীৱনত ব্যৱহৃত শব্দ ঃ

| হিন্দু ব্যৱহৃত শব্দ | মুছলমান ব্যৱহৃত শব্দ |
|---|---|
| ৰাতিপুৱা | ফজিৰ |
| সন্ধিয়া | মগৰীবৰ |
| দয়া | ৰহম |
| বিশ্বাসী | মোমিন |
| অৱস্থা | হাল |
| স্থান, আসন, স্তৰ | মোকাম |
| সম্পূৰ্ণ | কামাল |
| ফল | মেৱা |
| প্ৰকাশ | জাহিৰ |
| শব্দ | আৱাজ |
| উৎসাহ-নিশাহ | দম |
| সংসাৰ | দুনিয়া |
| আদেশ | ফৰমান |
| আহাৰ | খানা |
| পথভ্ৰষ্ট | গুনাহ |
| মাটি | জমিন |
| আকাশ | আচমান |
| কপাল | নচিব |
| অন্তৰ | দিল |
| পুৰুষ | মৰদ |
| বস্তু | চিজ |
| খোজ | কদম |
| আখৰ | হৰফ |
| বতাহ | হাৱা |
| লাজ | চৰম |
| বন্ধু | দোস্ত |
| চিন্তা | ধান্দা |
| জীৱ | জান |
| পথ | মঞ্জিল |
| ধুলনি | গুলস্তান |
| অদৃশ্য | গায়ব |
| জন্ম | পয়দা |
| গজাল | খিল |
| বিবাহ | নিকাহ |
| ক্ষমাশীল | গফুৰ |
| ভাগ্য | বখ্ত |
| শিক্ষক | ওস্তাদ |
| খেলা | তামাচা |
| দৃষ্টি | নজৰ |

সামৰণি ঃ

ধৰ্মই সাধাৰণতে কোনো এক জনসমষ্টিৰ সকলো ক্ষেত্ৰতে গভীৰ ভাৱে প্ৰভাৱ পেলোৱা দেখা যায়। ধৰ্মৰ এই প্ৰভাৱৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত হোৱা সহজ নহয়। ফলত সংস্কৃতিক বহু সময়ত ধৰ্মই নিয়ন্ত্ৰণ কৰে। ভাষা যিহেতু সংস্কৃতিৰে এটা অঙ্গ; সেয়েহে ভাষাৰ ক্ষেত্ৰতো ধৰ্মই প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। এই ক্ষেত্ৰত অসমীয়া ভাষাও ব্যতিক্ৰম নহয়। অসমত বসবাস কৰা হিন্দু অথবা মুছলমান- উভয় ধৰ্ম সম্প্ৰদায়ে অসমীয়া ভাষা ক'লেও দুয়ো স ম্প্ৰদায়ৰ ভাষাৰ মাজত সেয়েহে পাৰ্থক্য লক্ষ্য কৰা যায়। অসমীয়া ভাষাত থকা এই পাৰ্থক্যসমূহৰ বিষয়ে আজিলৈকে গৱেষণা হোৱা দেখা নাই। সেয়েহে এই আলোচনাৰ জড়িয়তে অসমীয়া ভাষাৰ নতুন গৱেষকসকলক এই বিষয়ত আগ্ৰহী কৰাৰ কাৰণে চমুকৈ এই আলোচনাটো আগবঢ়োৱা হ'ল।

সংবাদ দাতা ঃ

১। জোনাব আলী, অধ্যাপক, হাৱাঘাট মহাবিদ্যালয়, কৃষ্ণাই
২। ছাইদুৰ ৰহমান, অধ্যাপক, হাৱাঘাট মহাবিদ্যালয়, কৃষ্ণাই
৩। আছমা য়াছমিন, গৱেষক ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়
৪। চাহ আলম, অধ্যাপক, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়
৫। সুনীতা বড়ো ৰাভা, বকো
৬। ড° ক্ষীৰোদ ঠাকুৰীয়া, অধ্যাপক, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
৮। ড° কমলেশ্বৰ ঠাকুৰীয়া, অধ্যাপক, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো। ♥

# মহৎ লোকৰ বাণী

*আমি জীয়াই থাকো কামৰ জোখেৰে, বছৰৰ জোখেৰে নহয়। আমি জীয়াই থাকো চিন্তাৰ যোগেদি, উশাহ-নিশাহৰ যোগেদি নহয়। আমি জীয়াই থাকো অনুভূতিৰ মাজত, ঘড়ীৰ কাটাৰ মাজত নহয়। আমি সময়ৰ হিচাপ ৰখা উচিত হৃদয়ৰ স্পন্দনেৰে, ঘড়ীৰ টিক্‌টিক্ শব্দেৰে নহয়। সেইজন মানুহেই পৰিপূৰ্ণতমভাৱে জীয়াই থাকে, যিজন মানুহে আটাইতকৈ বেছিকৈ চিন্তা কৰে, আটাইতকৈ মহৎ কথাবোৰ অনুভৱ কৰে আৰু সৰ্বোত্তম কামত নিজকে নিয়োজিত কৰি ৰাখে।*

— ডেভিদ বেইলী

# ভাৰতবৰ্ষৰ জনজাতিসকলৰ স্বায়ত্ত শাসনৰ প্ৰয়োজনীয়তা

মনমোহন ৰাভা
*স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

ভাৰতবৰ্ষ এখন বিশাল দেশ। ইয়াৰে অংগৰাজ্য অসম। স্বাধীনোত্তৰ কালৰেপৰা দেশ আৰু ৰাজ্যসমূহে বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী দিশত আগবাঢ়ি যোৱাৰ লগে লগে নগৰ আৰু চহৰ উন্নয়ন প্ৰক্ৰিয়া আগবাঢ়িছে, কিন্তু গ্ৰাম্যাঞ্চলত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ আজিও সৰ্বাংগীন উন্নতি দেখা নগ'ল। ভাৰতবৰ্ষৰ দৰে বিশাল, জনবহুল আৰু বিভিন্ন সমস্যাৰে জৰ্জৰিত দেশৰ সৰ্বতোপ্ৰকাৰে উন্নয়ন সাধন কৰিবলৈ হ'লে সঠিকভাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঘটাবই লাগিব আৰু দেশৰ বা ৰাজ্যৰ জনজাতি বসতি গ্ৰাম্যাঞ্চলত ক্ষমতাৰ এনে বিকেন্দ্ৰীকৰণ সম্ভৱ হ'ব পাৰে স্বায়ত্ত শাসন ব্যৱস্থাৰ অৰ্থবহ আৰু সঠিক প্ৰয়োগৰ জৰিয়তেহে।

এই সমস্যাটোৰ সমাধান কৰিবলৈ ব্ৰিটিছ চৰকাৰে ১৯০৭ চনত চাৰ্লচ হব হাউচৰ অধ্যক্ষতাত ভাৰতবৰ্ষত সকলো গ্ৰাম্যাঞ্চলত স্বায়ত্ত শাসন ৰাজ-ব্যৱস্থাক অধিক সৰ্বাঙ্গীন উন্নতি হোৱাকৈ চৰকাৰৰ নিয়ন্ত্ৰণত থকা নিকায়সমূহ মুক্ত কৰি স্থানীয় ৰাজহৰ সৰু সৰু দেৱানী আৰু ফৌজদাৰী বিবাদৰ মীমাংসা, প্ৰাথমিক শিক্ষা, চিকিৎসা সাহায্য, জনস্বাস্থ্য, গাঁওসমূহত পথ নিৰ্মাণ আদিৰ দৰে জনহিতকৰ কেতবোৰ কাম-কাজৰ দায়িত্ব প্ৰদান কৰাৰ বাবেও পৰামৰ্শ আগবঢ়ায়। ১৯২০ চনত 'লাইন চিষ্টেম'ৰ প্ৰৱৰ্তন কৰিছিল যদিও অধিক হাৰত হোৱা বিদেশী প্ৰব্ৰজন আৰু অবাধ হাৰত হোৱা ভূমি অধিগ্ৰহণৰ সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে ব্যাপক হাৰত জনজাতি এলেকাৰ মাটিত বিদেশীসকলৰ অনুপ্ৰৱেশ ৰোধ কৰিব নোৱাৰিলে। এই সমস্যাটো সমাধান কৰিবলৈ তেতিয়াৰ চৰকাৰে এই 'লাইন চিষ্টেম'টোক পৰ্যালোচনা কৰিবলৈ এক কমিটি গঠন কৰি দিলে। 'লাইন চিষ্টেম কমিটি' নামেৰে জনাজাত এই কমিটিখনৰ চেয়াৰমেন আছিল- F.W. Hockenhull। এই কমিটিয়ে লক্ষ্য কৰিলে যে এই ব্যাপক হাৰত হোৱা অনুপ্ৰৱেশৰ ফলত জনজাতি অধ্যুষিত অঞ্চলসমূহৰ বিস্তৰ ক্ষতি হৈছে। সেয়ে এই কমিটিখনে দুটা পৰামৰ্শ আগবঢ়ালে — (১) গাঁওসমূহক বিভাজিত কৰাৰ পৰিবৰ্তে এক ব্যাপক অঞ্চল মৌজা বা ব্লক গঠন কৰি জনজাতিসকলক প্ৰব্ৰজিতসকলৰ অধিগ্ৰহণৰ পৰা মুক্ত কৰি ৰাখিব লাগে। (২) প্ৰব্ৰজিতসকলক কিছুমান বিশেষ অঞ্চলত বসবাস কৰিবলৈ সুবিধা কৰি দি প্ৰব্ৰজনৰ ধাৰা অব্যাহত ৰাখিব লাগে। এই প্ৰতিবেদনৰ আধাৰত ১৯৩৯ চনৰ গোপীনাথ বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছ সহযোগী চৰকাৰে এক প্ৰস্তাৱ গ্ৰহণ কৰিলে আৰু ট্ৰাইবেল ব্লকৰ ধাৰণাটো অনা হ'ল। এই প্ৰস্তাৱটো বৰদলৈ নেতৃত্বাধীন সহযোগী চৰকাৰখনে কাৰ্যকৰী কৰিব নোৱাৰিলে। কাৰণ তেওঁলোকে ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে পদত্যাগ কৰিলে। ১৯৩৯ চনত চৈয়দ চাদুল্লাৰ চৰকাৰ গঠন হয় আৰু ১৯৪১ চনত পতন হয়। ১৯৪২ চনত ব্ৰিটিছ চৰকাৰক পূৰ্ণ সমৰ্থনৰ প্ৰতিশ্ৰুতিৰে চৈয়দ চাদুল্লাৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন হ'ল। এইখন আছিল মুছলিম লীগ নেতৃত্বাধীন চৰকাৰ। তেওঁলোকে 'খাদ্য শস্য অধিক উৎপাদন' কৰাৰ নামত ব্যাপক হাৰত বহিৰাগতৰ প্ৰব্ৰজনক সমৰ্থন কৰিলে আৰু জনজাতি

অধ্যুষিত মুকলি এলেকাসমূহত বহিৰাগতসকলক বাস কৰিবলৈ অনুপ্ৰাণিত কৰিলে। তেতিয়া গোটেই অসমজুৰি এই কাৰ্যৰ তীব্ৰ প্ৰতিবাদ হ'ল। তেতিয়া চাদুল্লা চৰকাৰে এই নীতিৰ সংস্কাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে যদিও সেই সময়তে মুছলিম লীগ নেতৃত্বাধীন চৰকাৰখনৰ পতন হয়। ১৯৪৫ চনত চাদুল্লাৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন হ'ল। এই চৰকাৰে পূৰ্বৰ প্ৰস্তাৱটো নাকচ কৰি এক নতুন আঁচনি গ্ৰহণ কৰিলে। এই আঁচনিৰ চাৰিটা দিশ হ'ল — (১) পতিত মাটিত বসবাসৰ অনুমতি দিয়া, (২) ১৯৩৮ চনৰ ১ জানুৱাৰীৰ পূৰ্বতে অহা ভূমিহীন লোকসকলক থলুৱা লোকৰ সমান মৰ্যাদা দি পতিত মাটিত বসবাসৰ সুবিধা দিয়া, (৩) জনজাতি লোকসকলক তেওঁলোকৰ অধ্যুষিত অঞ্চলসমূহত তেওঁলোকৰ আৰ্থ-সামাজিক দিশত প্ৰভাৱ পেলোৱা আক্ৰমণাত্মক উৎপাদনৰ পৰা ৰক্ষা কৰা আৰু (৪) ঘাঁহনি আৰু অন্যান্য অঞ্চলসমূহ অধিগ্ৰহণ কৰা লোকসকলক উচ্ছেদ কৰি তত্বাৱধান কৰা। এই আঁচনিৰ ৩ নং দফা অনুযায়ী ৫০ শতাংশ বা ততোধিক জনজাতি লোকে বসবাস কৰা অঞ্চলক লৈ 'ট্ৰাইবেল বেল্ট' গঠন কৰাৰ প্ৰস্তাৱ লোৱা হয়। ১৯৩৮ চনৰ পৰা ১৪ টা আৰু ৩১ টা আৰু ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰা হয়। আইনগত ব্যৱস্থা থকা সত্বেও কিন্তু ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি প্ৰব্ৰজনকাৰীৰ হাতলৈ গৈয়ে থাকিল। যাৰ ফলত এতিয়া জনজাতিসকল সংখ্যালঘুত পৰিণত হ'ল । কৃষিজীৱি জনজাতিসকলৰ পৰা প্ৰব্ৰজনকাৰীয়ে চলে-বলে কৌশলে ভূমি কাঢ়ি লৈ আছে। যাৰ ফলত আজি জনজাতীয় সকলৰ নিজৰ ভাষা, সংস্কৃতি হেৰাই যাব ধৰিছে। জনজাতি প্ৰধান অঞ্চলবোৰত আইনগত ট্ৰাইবেল বেল্ট আৰু ব্লক থাকিলেও ইয়াৰ উচিত ব্যৱহাৰ হোৱা নাই বুলি মই ভাবো।

এতিয়া প্ৰত্যেকটো বেল্টত সহজ-সৰল জনজাতীয়সকলৰ ভাষা, সংস্কৃতিৰ লগতে একোটা জাতি হিচাপে থিয় দিবৰ বাবে স্বায়ত্ত শাসনৰ খুবেই প্ৰয়োজন। কাৰণ এতিয়া ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটিত কিছুমান অবৈধ বাংলাদেশী মানুহৰ বাসস্থান হৈছে। এতিয়া বাংলাদেশীসকলৰ দাবীত বেল্ট আৰু ব্লকও ভাগি যাব। কাৰণ এতিয়া যে তেওঁলোক জনসংখ্যাত অধিক। গতিকে এতিয়া যিখিনি বাচি আছে সেইখিনি বচায় জনজাতিসকলক এই পৃথিৱীত জীয়াই থাকিবলৈ স্বায়ত্ত শাসন দি ষষ্ঠ অনুসূচী দিলে আজিৰ জনজাতীয়সকলে এই পৃথিৱীত নিজৰ অস্তিত্ব জীয়াই ৰাখিব পাৰিব। ♥

# মহৎ লোকৰ বাণী

*মই তোমাক কৃতকাৰ্যতাৰ মন্ত্ৰ শিকাব নোৱাৰো,*
*কিন্তু অকৃতকাৰ্য কেনেকৈ হ'ব লাগে তাৰ*
*সূত্ৰটো দিব পাৰো ঃ সেইটো হ'ল — সকলো*
*মানুহকে সমানে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিবা।*

— হাৰবাৰ্ট বেয়াৰ্ড শ্বুপ

# দাদাচাহেব ফাল্কে

লক্ষীমা ৰাভা
স্নাতক তৃতীয় বৰ্ষ, কলা শাখা

দাদাচাহেব ফাল্কে এজন চলচ্চিত্ৰ পৰিচালক আৰু ভাৰতৰ প্ৰথম চলচ্চিত্ৰ নিৰ্মাতা। তেওঁৰ সম্পূৰ্ণ নাম ধুন্দিৰাজ গোবিন্দ ফাল্কে। ১৮৭০ চনৰ ৩০ এপ্ৰিলত মহাৰাষ্ট্ৰৰ ট্ৰাইম্ব বাকত জন্ম হয়।

সৰু কালৰে পৰাই দাদাচাহেব ফাল্কে সৃষ্টিমূলক কলাৰ প্ৰতি বৰ আগ্ৰহী আছিল। ১৮৮৫ চনত তেওঁ বৰ্তমানৰ মুম্বাইৰ ছাৰ জে স্কুল অৱ আৰ্টত নামভৰ্তি কৰে। জে জে কলেজ অৱ আৰ্টৰ উপৰি তেওঁ বৰোদাৰ কলাভৱনতো ছবি অঁকা, ফটোগ্ৰাফী, লিথ'গ্ৰাফী, স্থাপত্যবিদ্যা, নাটক আনকি যাদু বিদ্যাও শিকিছিল। তেওঁৰ মতে যাদু বিদ্যা চলচ্চিত্ৰ নিৰ্মাণকাৰীৰ বাবে বৰ প্ৰয়োজনীয়। পাছত তেওঁ ৰাজ্যিক প্ৰত্নতত্ত্ব বিভাগৰ ফটোগ্ৰাফাৰ, পেইন্টাৰ, থিয়েটাৰ দৃশ্য সজ্জাৰ কাম কৰে। প্ৰসিদ্ধ চিত্ৰকৰ ৰাজা ৰবি বাৰ্মাৰ (১৮৪৮-১৯০৬) লিথ'গ্ৰাফী প্ৰেছত কিছুমান কাম কৰোতে তেওঁ ৰবি বাৰ্মাই হিন্দু দেৱতাক লৈ অঁকা চিত্ৰৰ ছিৰিজ এটাৰ দ্বাৰা যথেষ্ট আকৰ্ষিত হয়। পাছলৈ ফাল্কেই নিৰ্মাণ কৰা ঐতিহাসিক চলচ্চিত্ৰবোৰত এই চিত্ৰবোৰে যথেষ্ঠ প্ৰভাৱ বিস্তাৰ কৰিছিল।

১৯০৮ চনত ফাল্কেই এজন অংশীদাৰৰ সৈতে যুঁটীয়াভাবে 'ফাল্কেজ আৰ্ট পেইন্টিং এণ্ড এনগ্ৰেভিং ৱৰ্কছ' নামৰ এক ব্যৱসায়ীক প্ৰতিষ্ঠান আৰম্ভ কৰে। কিন্তু এই ব্যৱসায় বেছিদিন নিটিকিল। ১৯১০ চনত তেওঁ ঘটনাক্ৰমে 'লাইফ অৱ খ্ৰীষ্ট' নামৰ ছবিখন চায়। এই দৰ্শনে তেওঁৰ জীৱনৰ দিশেই সলনি কৰি পেলায়। এইখন ছবিৰ দৰে আমাৰ ভাৰতীয় তথা হিন্দু দেৱ-দেৱী আৰু আখ্যানসমূহক তেওঁ চেলুলয়ডৰ পৰ্দাত বন্দী কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। ইয়াৰ বাবেই ফাল্কেই চিনেমাটোগ্ৰাফী অধ্যয়ন কৰে আৰু ছবি তৈয়াৰ কৰিবৰ বাবে আৱশ্যকীয় যন্ত্ৰ-পাতি যোগাৰ কৰিবৰ বাবে ইংলেণ্ডলৈ যায়। তাৰ পৰা ঘূৰি আহি তেওঁ নিজাকৈ ফাল্কে ফিল্ম কোম্পানী গঠন কৰে। ১৯১৩ চনত ভাৰতৰ প্ৰথম নিৰ্বাক চলচ্চিত্ৰ 'ৰাজা হৰিশ্চন্দ্ৰ' নিৰ্মাণেৰে ফাল্কেই ভাৰতীয় চলচ্চিত্ৰ যুগ আৰম্ভ হয়। সেই ছবিখনৰ চিত্ৰনাট্য ৰচনা, পৰিচালনা, প্ৰযোজনা, পৰিকল্পনা — সকলো দাদা চাহেব ফাল্কেই নিজে কৰিছিল আৰু কেইবাখনো ছবি নিৰ্মাণ কৰে। ১৯১৩ চনত 'ভস্মাসুৰ মোহিনী' নামৰ চিনেমাখনত তেওঁ মহিলা শিল্পীকো অভিনয় কৰাইছিল। ১৯১৭ চনত দাদা চাহেব ফাল্কে 'হিন্দুস্তান ফিল্ম কোম্পানী' প্ৰতিষ্ঠা কৰে আৰু তাৰ বেনাৰত কেবাখনো চলচ্চিত্ৰ নিৰ্মাণ কৰে। তেওঁ এজন ভাল টেকনিচিয়ানো আছিল আৰু বিভিন্ন ধৰণৰ 'স্পেচিয়েল ই ফেক্ট' দিবলৈ যত্ন কৰিছিল। বিভিন্ন ঐতিহাসিক আৰু পৌৰাণিক ছবিত ফাল্কেই প্ৰয়োগ কৰা স্পেচিয়েল ইফেক্টছে দৰ্শকক যথেষ্ঠ আকৰ্ষণ কৰিছিল। এনেধৰণৰ স্পেচিয়েল ই ফেক্ট প্ৰদান কৰা এখন উল্লেখযোগ্য ছবি হ'ল 'কালিয়া মৰ্দন' (১৯১৯)। দাদাচাহেব ফাল্কেৰ আন কেইখন সফল ছবি হ'ল ঃ লংকা দহন (১৯১৭), 'কৃষ্ণ জন্ম' (১৯১৮), 'সৈৰেন্দ্ৰী' (১৯২০) আৰু 'শকুন্তলা' (১৯২০)।

সবাক চলচ্চিত্ৰৰ বিকাশ আৰু নতুন প্ৰযুক্তিৰ আমদানি হোৱাত দাদাচাহেব ফাল্কেই তেওঁৰ পূৰ্বৰ জনপ্ৰিয়তা হেৰুৱায়। কুৰি শতিকাৰ তৃতীয় দশকত তেওঁ ছবি নিৰ্মাণ একেবাৰে বাদ দিয়ে আৰু এক অকলশৰীয়া, তিক্ত জীৱন কটাবলৈ লয়। ১৯৪৪ চনৰ ১৬ ফ্ৰেব্ৰুৱাৰীত নাচিকত অসুখীয়া অৱস্থাত দাদাচাহেব ফাল্কেৰ মৃত্যু হয়। ফাল্কেই বাট কাটি আগবঢ়া ভাৰতীয় চলচ্চিত্ৰ এতিয়া ভাৰতীয় জীৱনশৈলীৰ অঙ্গাঙ্গী

অংশ। সেই সময়ত অতি কষ্টৰে আৰম্ভ কৰা ভাৰতীয় চিনেমাই আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত কিমান সলনি হ'ল সেয়া হয়তো দাদা চাহেব ফাল্কেই দেখা হ'লে আচৰিত হ'লহেঁতেন।

তেওঁৰ মৃত্যুৰ পাছত ভাৰত চৰকাৰে ফাল্কেৰ স্মৃতিত এটা বঁটা দিবলৈ সিদ্ধান্ত লয়। 'দাদা চাহেব ফাল্কে বঁটা' নামেৰে জনাজাত এই বঁটা ১৯৬৯ চনৰ পৰা প্ৰদান কৰি অহা হৈছে। ভাৰতীয় চলচ্চিত্ৰৰ উৎকৰ্ষ আৰু বিকাশৰ হকে আগবঢ়োৱা উল্লেখনীয় বৰঙণিৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়। ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্ব্বোচ্চ বঁটা ৰূপে স্বীকৃত তথা ভাৰতৰত্নৰ সন্মানৰ সমমূল্য এই বঁটাৰ অৰ্থমূল্য দহলাখ টকা। ইয়াৰ লগতে বঁটা বিজয়ীজনক এখন প্ৰশস্তি পত্ৰ আৰু আলোৱান প্ৰদান কৰা হয়।♡

ব্যংগ ৰচনা

# হনুমান মুদ্ৰা আৰু টৌটেং

সঞ্জয় মেধি

আমি সৰুতে ডাঙৰৰ মুখত শুনিছিলোঁ আৰু কিতাপতো পঢ়িছিলোঁ যে বালী বীৰ, বলি বীৰ হনুমান। নহ'বও নুপজিবও কৰ্ণৰ সমান। সঁচাকৈয়ে কৰ্ণৰ সমান বীৰ এই ভূ-ভাৰতত নাছিল বুলিয়েই ভাবিছিলোঁ। গাঁৱত ভাওনা চাওঁতেও কৰ্ণক ডাঙৰ বীৰ বুলিয়েই গণ্য কৰিছিলোঁ। কৰ্ণৰ ৰথৰ চকাটো যদি যুদ্ধক্ষেত্ৰৰ কোমল মাটিত 'ফচি' নগ'লহেঁতেন, তেন্তে কৰ্ণক কাহানিও বধ কৰিব নোৱাৰিলেহেঁতেন। মুঠতে সেই সময়ত কৰ্ণ আমাৰ আদৰ্শ বীৰ পুৰুষ আছিল। 'ছুপাৰ হিৰ'।

পিছে শেহতীয়াকৈ দুৰদৰ্শনে প্ৰদৰ্শন কৰা ছিৰিয়েল আৰু চিনেমাবোৰ চাই চাই আজিকালি ভাবো — নহয়! কৰ্ণতকৈ হনুমানহে ডাঙৰ বীৰ। ৰামায়ণ, শ্ৰীকৃষ্ণ, জয় হনুমান আদিত হনুমানৰ একটিং আৰু পাৰফাৰ্মেন্স কিন্তু সাংঘাটিক হৈছে। শ্ৰীকৃষ্ণ ছিৰিয়েলখনত অৱশ্যে এটা দুই নম্বৰী ভিলেইন হনুমান ওলাইছিল। পিছে কি হ'ব, এক নম্বৰী আবিৰ্ভাৱ হৈ দুই নম্বৰীক ঠিকছে ধুলাই দিলে- চিনেমাত ৰজনীকান্তই দিয়াৰ দৰে। কৰ্ণতকৈ হনুমানৰ এটা ডাঙৰ এডভানটেজ হ'ল হনুমানে ইচ্ছা কৰিলেই যেনি তেনি নিমিষতে যাব পাৰে, ঠিক চুপাৰমেন আৰু স্পাইদাৰমেনৰ দৰে। কিন্তু কৰ্ণই ঘোঁৰা আৰু ৰথত উঠিহে যাবলগীয়া হৈছিল। নহ'লে খোজ কাঢ়িয়েই যাবলগীয়া হৈছিল। গতিকে দেখাতেই কৰ্ণতকৈ হনুমানৰ সুবিধা বেছি। অৱশ্যে কেইদিনমান আগতে হনুমানৰ সমানেই আৰু এজন বলশালী লোক ওলাইছে। তেওঁ হ'ল শক্তিমান। আজিকালিৰ ল'ৰা-ছোৱালীৰ কাৰণে শক্তিমান কেৱল শক্তিমানেই নহয়, এক পপুলাৰ হিৰ'। হনুমান আৰু শক্তিমানৰ পাৰ্থক্য হ'ল এয়ে যে হনুমানে লেংটি মাৰি হাতত গদা লৈ ঘূৰি ফুৰে আৰু শক্তিমানে লংপেণ্ট ছাৰ্ট পিন্ধি কোনো অস্ত্ৰ নোলোৱাকৈ ঘূৰি ফুৰে। ৰাম ৰাৱণৰ যুদ্ধত হনুমানে যেনেকুৱা বিক্ৰম দেখুৱালে, তাৰ্লৈ চাই হনুমানক কৰ্ণতকৈ ডাঙৰ বীৰ বুলি স্বীকাৰ কৰিবই লাগিব। কাৰণ কৰ্ণৰ কুৰুক্ষেত্ৰ যুদ্ধত মৃত্যু হ'ল, কিন্তু হনুমানৰ মৃত্যু হোৱা নাই।

আজি কিছুদিন আগতে জানিবলৈ পোৱা গৈছে যে বৰ্তমান বজাৰত এবিধ মুদ্ৰা ওলাইছে। নাম হনুমান মুদ্ৰা। কথাটো কিন্তু বৰ ছিক্ৰেট দেই। মই কথাটো আপোনাক বুলিহে ক'লো। আপুনি কিন্তু গোটেইখন বৌজাল-বৌজাল কৰি নুফুৰিব। এই যে মই হনুমান মুদ্ৰাৰ কথা ক'লো মুদ্ৰাটো দেখাত সাধাৰণ মুদ্ৰাৰ দৰেই যদিও ইয়াৰ এটা অসাধাৰণ গুণ আছে। এই মুদ্ৰাটোক ভালদৰে পূজা-পাতাল কৰিলে

মুদ্রাটোৰ পৰাই এজন হনুমানৰ আবিৰ্ভাৱ হয় আৰু আপুনি ইংৰাজী, অসমীয়া, হিন্দী বা বঙালী যি ভাষাতেই নোসোধক লাগে সেই ভাষাতে হনুমানে আপোনাক সুধিব "মোক কিয় মাতিছিলি? মই আপোনাক কি সহায় কৰিব পাৰো।" তেতিয়া আপুনি আপোনাৰ উদ্দেশ্য ব্যক্ত কৰি কি বিচাৰে কওঁক আৰু হনুমানে আপুনি বিচৰা বস্তু প্ৰদান কৰিব। মজাৰ কথা নহয়নে???

কিছুদিন আগতে ধুপধৰাৰ এজন মাৰোৱাৰী ব্যৱসায়ীৰ ব্যৱসায় সংক্ৰান্তত প্ৰায় বিছ লাখ টকাৰ প্ৰয়োজন হ'ল। এতিয়া টকা পায় ক'ত? বেংকৰ পৰা ল'বলৈও আগৰে ধাৰ শেষ হোৱা নাই। গতিকে কি কৰা যায় বুলি ভাবি-চিন্তি থাকোতেই তেওঁ হনুমান মুদ্ৰা আৰু ইয়াৰ গুণা-গুণ সম্পৰ্কে এজন বন্ধুৰ পৰা জানিব পাৰিলে। তেওঁ অশেষ চেষ্টা আৰু বিচাৰ-খোচাৰৰ অন্তত এটা হনুমান মুদ্ৰা পালে আৰু এজন অভিজ্ঞ পূজাৰী যোগাঁৰ কৰি পূজা আৰম্ভ কৰি দিলে। প্ৰায় ভবা মতেই কাম হ'ল। পূজাৰ শেষত মুদ্ৰাটোৰ পৰা হাতত গদাৰে সৈতে হনুমান আবিৰ্ভাৱ হৈ অতি বিনীতভাৱে ব্যৱসায়ীজনক সুধিলেঃ মোক কিয় মাতিছিল? মই আপোনাক কি সহায় কৰিব পাৰো? ধ্যানস্থ হৈ থকা ব্যৱসায়ীজনে চকু মেলিয়ে সন্মুখত হনুমানক দেখি আনন্দত বিভোৰ হৈ ক'লেঃ প্ৰভু, আপোনাৰ দৰ্শন পাই জীৱন ধন্য হ'ল। যোৱা কিছুদিনৰ পৰা মোৰ ব্যৱসায় মন্দা হৈ পৰিছে। ইফালে আলফাকো টকা দিবলগীয়া হৈছে। সদ্যহতে মোক টকা বিছ লাখমানৰ খব প্ৰয়োজন হৈছে। হে প্ৰভু মোৰ প্ৰতি সদয় হৈ টকা...। তেওঁ কথাখিনি শেষ কৰিবলৈ নাপালেই; হনুমানে উগ্ৰমূৰ্তী ধাৰণ কৰি ক'বলৈ ধৰিলেঃ কি ক'লি ষ্টুপিদ, টকা লাগে। তই কি মোক অসমৰ মুখ্যমন্ত্ৰী বুলি ভাবিছ নেকি যে লাগ বুলিলেই তোক মই টকা দিম। অইন হোৱা হ'লে পৰকালৰ মুক্তিৰ কাৰণে মোৰ পৰা আশীৰ্বাদ বিচাৰিলেহেঁতেন আৰু তই বিচাৰিছ টকা। এই বুলি কৈয়ে হনুমানে গদাৰে ব্যৱসায়ীজনৰ পিঠিত একোব মাৰিলে আৰু লগে লগে তেওঁ ফ্লেট হৈ পৰি গ'ল। হনুমানৰ উগ্ৰমূৰ্তি দেখি পূজাৰীয়ে বেঙেমুতা গৰুৰ দৰে কঁপি কঁপি কিবা এবাৰ কওঁ বুলি ভাবোতেই হনুমান অদৃশ্য হৈ গ'ল। বহু সময়ৰ পিছত ব্যৱসায়ীজনে জ্ঞান ঘূৰাই পালে আৰু গোটেই গাত অসহ্য বিষ অনুভৱ কৰিলে। মূৰে কপালে হাত দি নিজৰ ভাগ্যক ধিক্কাৰ দিবলৈ ধৰিলে। টকা পইছাতো একো নাপালেই, পূজা-পতা আৰু পূজাৰীৰ খৰচ সোপাও এনেয়ে গ'ল। এতিয়া শুনামতে একাংগী বেমাৰত ভুগি তেওঁ হেনো বিছনাতে পৰি থাকে।

এই ঘটনাটো ঘটি যোৱাৰ পাছত বহুত ব্যৱসায়ীৰ হাতত হনুমান মুদ্ৰা থকা সত্বেও কোনোৰে পূজা কৰিবলৈ সাহস গোটাব পৰা নাই। যদি আপুনি ইতিমধ্যে কৰ'বাত হনুমান মুদ্ৰা পাইছে আৰু যদি হনুমানক 'চেলেঞ্জ' কৰিব পাৰে তেন্তে পূজা এভাগ পাতি পৰীক্ষা কৰি চাব পাৰে। মনত ৰাখিব- Golden chance never comes Twice.

আকৌ কিছুদিন আগতে টোটেং বোলা প্ৰাণীটোৱে যিটোহে জোৱাৰ আনিলে। বাৰ ফুট দৈৰ্ঘ্য আৰু দুশ গ্ৰাম হ'লে হেনো দুই লাখ টকাকৈ দিয়ে। এনেকুৱা কথা শুনি আমাৰ ডেকামখাই গধূলি গধূলি টোটেং অভিযানেই আৰম্ভ কৰি দিলে। ছয়গাঁৱৰ হেনো এজন আদহীয়া মানুহেও টোটেঙৰ কথাটো শুনিছিল, পিছে তেওঁ নাপাই চিনি। এদিন এজনে দিয়া বিৱৰণ মতে মিলাই চাই দেখে যে বাৰীৰ পিছফালৰ আমগছ জোপাত দেখোন সেইটো টোটেং। বহু লগা লগ ধৰি আনি জুখি চালে তেৰ ফুট তিনি ইঞ্চি আৰু ওজন চাৰিশ গ্ৰামমান হবই খাটাং। ৰাতি টোটেং নিবলৈ মানুহ আহিল। মানুহটোৰ কি ফুৰ্তি। টোটেং নিবলৈ অহা এজনে সুধিলে "বস্তুটো ক'ত থৈছ।" মানুহজনে ডুকুলা এটা ডাঙি দেখুৱাই দিলে "এইটো।" কিন্তু ইহঁতে যেনেকৈ গালি পাৰি তাৰ ঘৰৰ পৰা গুচি আহিল, সি মোটামুটি শিল পৰা কপৌ যেন হ'ল। কাৰণ সেইটো টোটেং নহয় "গুইহে" আছিল।

বাৰু সি যি কি নহওঁক আপুনি যদি ইতিমধ্যে কৰ'বাত জোখৰ টোটেং আৰু হনুমান মুদ্ৰা পায়, ততালিকে আমাক খবৰ দিয়ে যেন। কাৰণ সময়ৰ শৰ সময়ত মাৰিব লাগে। নহ'লে এটা কাম কৰক — আমাৰ ফোন নম্বৰটোকে লওক। তাত ফোন কৰিলে আমি নিজেই ওলাম। মনত ৰাখিব- Golden chance never comes Twice.♥

# মহৎ লোকৰ বাণী

*ভাগ্যক কেতিয়াও বিশ্বাস নকৰিবা,*
*বিশ্বাস কৰিবা তোমাৰ কৰ্মক*

—লক্ষ্মীনাথ বেজবৰুৱা

# নংয়াঙৰ ইপাৰে সিপাৰে

ড° কমলেশ্বৰ ঠাকুৰীয়া
অধ্যাপক

নংয়াং এটি হ্ৰদৰ নাম। চিংফৌসকলে দিয়া নংয়াং নামটোৰ 'নং' মানে হ্ৰদ আৰু 'য়াং' হ'ল শ্বানসকলৰ এজন মুখীয়ালৰ নাম। অসম-নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ দক্ষিণ-পূৱ দিশত আছে নগা পাটকাই পৰ্বতমালা। সমুদ্ৰ পৃষ্ঠৰ পৰা ৩,৭২৭ ফুট উচ্চতাত দুৰ্গম পাটকাই পৰ্বত শ্ৰেণীৰ মাজত আছে এক সংকটপূৰ্ণ গিৰিপথ নাম যাৰ পাংচাও পাচ। পাংচাও গিৰিপথ ভাৰতবৰ্ষ আৰু ম্যানমাৰ দুয়োখন দেশৰ মাজত অৱস্থিত। পাংচাও গিৰিপথৰ মাজত ভাৰত ম্যানমাৰৰ সীমাত এটি ডাঙৰ সীমান্ত স্তম্ভ আছে। পাংচাও বজাৰ বা ভাৰত ম্যানমাৰ সীমান্ত স্তম্ভৰ পৰা তললৈ নামি গ'লে দৃষ্টিগোচৰ হয় অদূৰত সপোন সপোন লগা খামজাং উপত্যকাৰ মাজত আলাসতে ভাঁহি থকাৰ দৰে স্থিৰ পানীৰ পবিত্ৰ হ্ৰদ নংয়াং। সেউজ পাহাৰৰ গভীৰ বক্ষৰ সমতল ভুমিত যেন নীলিম আকাশৰ দিগন্তৰ সৈতে মিলি জিলিকি আছে স্বচ্ছ হ্ৰদটি আকাশৰ উচ্চতাত। প্ৰাগৈতিহাসিক কালৰ পৰা অসমীয়া জাতীয় জীৱনৰ অনেক উত্থান-পতনৰ নীৰৱ সাক্ষী লোকচক্ষুৰ পৰা বহু আঁতৰত অৱস্থিত ৰহস্যময় এই নীলা পানীৰ হ্ৰদ। দীঘলে প্ৰায় ৫/৬ কিঃমিঃ আৰু বহলে ১.৫ কিঃমিঃ নংয়াং হ্ৰদটোক তাংচাসকলে অতি পবিত্ৰ জ্ঞান কৰে। অসমৰ চুবুৰীয়া ৰাজ্য চিকিমতো সু-উচ্চ পৰ্বতৰ মাজত আছে শীতত বৰফাবৃত চঙ্গুলেক, আছে প্ৰস্তাৱিত গোৰ্খালেণ্ডৰ মিৰিক হ্ৰদ; সীমাৱৰ্তী দেশ নেপালৰ পোখৰা উপত্যকাতো আছে সুবিস্তৃত ফেউৱা লেক। কিন্তু নংয়াং হ্ৰদৰ দৰে এই হ্ৰদবোৰ উপেক্ষিত কিম্বা জনাগমশূন্য নহয়। দেশ-বিদেশৰ অলেখ পৰ্যটকেৰে কেউটা ঋতুতে পৰিপূৰ্ণ হৈ থাকে এই হ্ৰদবোৰৰ পাৰ। নংয়াং ইয়াৰ সম্পূৰ্ণ ব্যতিক্ৰম। হ্ৰদটোৰ পৰা বেচ কিছু আঁতৰত নগা, চিংফৌ, লিচু, শ্বান আদি জনগোষ্ঠিয় লোকসকলৰ সেৰেঙা বসতি আছে যদিও বিশেষকৈ অসমৰ পৰা এই অঞ্চললৈ যাতায়ত অতি দুৰূহ। শিলেৰে পৰিবেষ্টিত, অটব্য জংঘল বনৰীয়া জন্তু, স্থানিয় লোকৰ অনমনীয় স্বভাৱ তদুপৰি আশে-পাশে উগ্ৰপন্থীৰ ৰম্যভূমি হোৱা বাবে নংয়াং হ্ৰদ অৱস্থিত পাংচাও পাচ যুগ যুগ অৱধি অৱহেলিত, অনাদৃত, উপেক্ষিত হৈ আহিছে। খামজাং উপত্যকা বৰ্তমান ম্যানমাৰৰ অন্তৰ্ভূক্ত। ম্যানমাৰ চৰকাৰৰ অন্য দেশৰ সৈতে মিলিব নোখোজা মনোবৃত্তি আদিৰ বাবে প্ৰকৃতিৰ এই অনৱদ্য সৃষ্টি পাংচাও পাচ, খামজাং উপত্যকা ও নংয়াং হ্ৰদ পৰ্যটকৰ অলক্ষিতে পৰিত্যক্ত অৱস্থাত আছে। আমেৰিকা, বৃটেইন, চীন, জাপান আৰু ভাৰতবৰ্ষৰ ইতিহাসৰ বৰ্ণবহুল স্মৃতি বিজড়িত এই প্ৰখ্যাত অঞ্চল জনপ্ৰিয় পৰ্যটনস্থলী হোৱাৰ আছে প্ৰচুৰ সম্ভাৱনা।

লিডুৰ পৰা ভগ্নপ্ৰায় ষ্টীলৱেল ৰ'ডেৰে পাংচাও পাচলৈ দূৰত্ব ৬১ কিঃমিঃ। লেখাপানী আৰু জাগুণ অতিক্ৰম কৰিলে পোৱা যায় জয়ৰামপুৰ। ইয়াৰ পিছত অৰুণাচল তথা ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ শেষ ঠাইখন হ'ল নামপং। অৰুণাচল চৰকাৰে প্ৰতিবছৰে জানুৱাৰী মাহত নামপঙত পাংচাও উৎসৱ পাতে। উৎসৱৰ সময়ত ম্যানমাৰ চৰকাৰে পাংচাও পাচ তথা ম্যানমাৰলৈ যোৱাৰ অনুমতি প্ৰদান কৰে। সেই সময়ত সীমান্তৰ পৰা দুয়ো দেশে ২০ কিঃমিঃ পৰ্য্যন্ত অহা-যোৱাৰ সুযোগ দিয়ে।

বুৰঞ্জীয়ে ঢুকি পোৱা কালৰ আগৰ পৰাই পাটকাই গিৰিপথ আৰু নদী উপত্যকাইদি বিভিন্ন মঙ্গোলীয় আৰু অষ্ট্ৰিক গোষ্ঠীৰ লোকৰ অসমলৈ আগমন ঘটিছিল। ঐতিহাসিক সমলৰ মতে প্ৰাচীন কালত চীন দেশৰ পৰা বাগদাদ, ইৰাক আৰু পাকিস্তানলৈ যোৱা তিনিটা চিল্কৰ'ড আছিল। ইয়াৰে শেষৰ পথটো দক্ষিণ চীনৰ য়ুনান প্ৰদেশৰ পৰা হুকং, ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বাংলাদেশ হৈ পাটালিপুত্ৰইদি পাকিস্তান সোমাই আন দুটা পথৰ লগ লাগিছিল। এই পথেৰে অনেক তীব্ৰতবৰ্মী জনগোষ্ঠীৰ লোক অসমলৈ আগমণ ঘটে। বৰ্মাৰ হুকং উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভিক কাললৈকে মানুহ অহা-যোৱা কৰা পথ প্ৰশস্ত হৈ আছিল। বহুধাবিভক্ত অসমৰ সাতৰাজ

মাৰি একৰাজ কৰা চাওলুং চুকাফাও ত্ৰয়োদশ শতিকাত চীন দেশৰ য়ুনান প্ৰদেশৰ ম্যুংমাওৰ পৰা বৰ্মাৰ হুকং উপত্যকা হৈ পাংচাও গিৰিপথেৰেই সৌমাৰত প্ৰৱেশ কৰিছিল। খামজাং উপত্যকাৰ নংয়াং হ্ৰদৰ আশে-পাশে বেচ কিছুকাল কটাইহে চুকাফাই সৌমাৰত প্ৰৱেশ কৰিছিল। হোৱাংহো, মেকং, ডেল্টা চেলুৱেন আৰু ইৰাৱতী নদী আদি পথেদি চুকাফা অহা পথেৰে চিংফৌ, খামতি, কাফে, আইটন, টুৰুং, তাংচা, নক্তে, ৰাঞ্চু, টুটচা, টাইফাকে, চেলুৱেন, ডুনিয়া, শ্যাম আদি অনেক জনগোষ্ঠীৰ লোক স্থায়ী বাসস্থানৰ সন্ধানত অসমলৈ প্ৰব্ৰজন কৰিছিল।আহোম স্বৰ্গদেও চ্যুডাংফা বা বামুণীকোঁৱৰৰ সুসজ্জিত সেনাই আক্ৰমণ কৰিব বুলি ভুল বুজি ল'ৰাৰজা চুকাফাই প্ৰতিশোধৰ অৰ্থে সসৈন্যে আগবাঢ়ি আহে। আহোমসেনাই ল'ৰাৰজাক পৰাস্ত কৰি খামজাং নংয়াং হ্ৰদত দুয়ো পক্ষই হাত আৰু অস্ত্ৰ ধুই কুকুৰা কাটি সন্ধি কৰে। সেই সন্ধি অনুসৰি নিৰ্ধাৰিত কৰা নংয়াং হ্ৰদ আজিও ভাৰত আৰু ম্যানমাৰৰ সীমা হৈ আছে।উপৰ্যুপৰি তিনিবাৰকৈ আক্ৰমণ কৰি অসমৰ জনজীৱন বিদ্ধস্ত কৰি পেলোৱা দুৰ্দ্ধৰ্ষ মানসকলো আহিছিল একে পথেৰেই। পিছত কেইবাজনো ইংৰাজ বিষয়াই মানসকল অহা পথৰ অনুসন্ধান কৰিছিল। সেই সময়ত নংয়াং হ্ৰদটো এটা পদচিহ্ন (Land mark) হিচাপে ব্যৱহাৰ হৈছিল। সময়ৰ গতিত ধীৰে ধীৰে সুউচ্চ পাহাৰ, টিলামাটি, কোমল বোকা, দ-খাত, ডাঠ হাবি, মুষলধাৰ বৰষুণ, সেমেকা জলবায়ু তদুপৰি মেলেৰীয়া অধ্যুষিত পাটকাই গিৰিপথ ক্ৰমাগত নিষ্প্ৰাণ, আকৰ্ষহীন ভূমিলৈ পৰ্যবসিত হয়।

ঐতিহাসিক ঘটনা পৰিক্ৰমাত তাৎপৰ্যপূৰ্ণভাৱে যেন প্ৰতি ৫০ বছৰৰ অন্তৰে অন্তৰে পাটকাই পুনৰ জাগ্ৰত হৈ উঠে। বিগত পাঁচটা দশক জাপানে সংগোপনে পুহি ৰাখিছিল এছিয়া মহাদেশত নিজকে 'চুপাৰ পাৱাৰ' হিচাপে প্ৰতিষ্ঠা কৰাৰ গোপন অভিলাষ। 'এচিয়া এচিয়াৰ বাবে' এই নীতিৰে জাপানে পশ্চিমীয়া প্ৰভাৱ নাইকিয়া কৰিবলৈ উঠিপৰি লাগে। আয়তনত নিজ দেশতকৈ অনেক বৃহৎ চীন দেশক আক্ৰমণ কৰি বিধ্বস্তপ্ৰায় কৰি তোলে। চীনা সেনাপতি ছিয়াংকাই শ্বেকে সাগৰ পৃষ্ঠৰ পৰা বহু উচ্চতাত অৱস্থিত বছৰৰ কেউটা ঋতুতে জলবায়ু অপৰিৱৰ্তিত হৈ থকা কুনমিঙত সৈন্যসহ আশ্ৰয় লৈ কোনোমতে জাপানক প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰি থাকে। ইফালে জাৰ্মান চেন্সলৰ হিটলাৰ আৰু ইটালীৰ ডিক্টেটৰ মুছলিনীৰ সন্মিলিত শক্তিয়ে পশ্চিম ইউৰোপ আৰু উত্তৰ আফ্ৰিকা নিজৰ দখললৈ আনে। দক্ষিণ আৰু পূৱ এছিয়াৰ প্ৰায়বোৰ দেশেই জাপানৰ কবলত পৰে। ইংৰাজৰ অৱস্থা পূব-পশ্চিম উভয়তে ধৰাশায়ী হ'ল। এছিয়াৰ ৰাজনৈতিক আকাশত জাপান নতুন সূৰ্য ৰূপে প্ৰতিষ্ঠিত হয়।

১৯৪১ চনৰ ৭ ডিচেম্বৰ। ৰাতি পুৱা। জাপানে অপ্ৰৰোচিতভাৱে পাৰ্ল হাৰবাৰত থকা আমেৰিকান নৌঘাটিত থকা ১৮ খন যুদ্ধ জাহাজ, ৪০০খন উৰাজাহাজ আৰু ৪ হাজাৰ সৈন্য বিধ্বংসী বোমাৰে নাশ কৰি পেলায়। আমেৰিকাই জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। বাজি উঠে পৃথিৱীজুৰি ২য় মহাযুদ্ধৰ দামামা। ১৯৪২চনৰ গ্ৰীষ্মকালত জাপানে ব্ৰহ্মদেশ অধিকাৰ কৰে। সেই আক্ৰমণ ইমান তীব্ৰ আছিল যে জাপানী সেনাই ব্ৰহ্মদেশত প্ৰৱেশ কৰি বাটপথত জনপ্ৰাণীটো দূৰৰে কথা এটা কুকুৰ পৰ্যন্ত দেখা নাছিল; সকলো জুইৰ লেলিহান শিখাত পুৰি ছাই হৈ গৈছিল। চীন-ব্ৰহ্মদেশ-ভাৰত ৰণভূমিত তীব্ৰতৰ হৈ উঠে জাপানী সেনাৰ আক্ৰমণৰ প্ৰকোপ। জাপানৰ অপ্ৰতিৰোধ্য সামৰিক শক্তিৰ আগত মিত্ৰ বাহিনী চেদেলি-ভেদেলি হৈ পৰে। মিত্ৰশক্তি জাৰ্মানী সেনাৰ সমুখত তিষ্ঠিব নোৱাৰি অসমৰ পিনে পিছ হুহকি আহে। মিত্ৰবাহিনীৰ সেনাৰ লগতে ব্যৱসায়িকসূত্ৰে থকা অনেক ইঙ্গ-ভাৰতীয় ভগনীয়াৰ ব্ৰহ্মদেশ ভগন আছিল অতি মৰ্মান্তিক, হৃদয়বিদাৰক। অটব্য অৰণ্যৰ মাজেৰে ভীষণ বৰষুণ, বোকাময় পথ, নিৰ্দয় পাহাৰ-পৰ্বত বগাই, নৈ-খাল-বিল পাৰ হৈ দিনৰ পিছত দিন অবৰ্ণনীয় দুখ-যন্ত্ৰণাৰে, অনিদ্ৰা অনাহাৰে প্ৰাণৰ মমতাত পদব্ৰজে ভাৰতৰ সীমাৰ পিনে আহিবলগীয়া হৈছিল। দুৰতিক্ৰম্য পৰ্বতীয়া পথত মেলেৰিয়া, পেটৰ অসুখ, জ্বৰ নাইবা বনৰীয়া জন্তু, ডকাইত বা জাপানী বোমাৰ আক্ৰমণত অনেকে কৰুণভাৱে মৃত্যুক সাৱটি ল'ব লগা হৈছিল। খাদ্যহীন, আশ্ৰয়হীন ভগনীয়াসকল ব্ৰহ্মদেশৰ মিচ্চিনাৰ পৰা ৬০০ কিঃমিঃ পথ অতিক্ৰমি অসম পাওঁতে সময় লাগিছিল দুমাহ। দুৰ্ভগীয়াসকলৰ প্ৰতিকূল পৰিৱেশত ত্ৰিশ শতাংশই ৰাস্তাতে প্ৰাণত্যাগ কৰিছিল। অনেক অসহায় মাতৃয়ে নিজৰ প্ৰাণ ৰক্ষাৰ্থে বেমাৰত ভোগা সন্তানক হাবিত পেলাই থৈ আহিবলৈও কুণ্ঠাবোধ কৰা নাছিল। প্ৰাণটোলৈ বৰ্ণনাতীত যন্ত্ৰণা সহি নামপঙৰ শিবিৰত উপস্থিত হৈয়ো বহুতে পুনৰ উঠিব নোৱাৰা হৈ মৃত্যু মুখত পৰিছিল। যথাৰ্থতে নামপং হৈ পৰিছিল (Hell Gate) নৰকৰ দ্বাৰ। পৃথিৱীৰ মানৱ ইতিহাসৰ এটা কলঙ্কময় অধ্যায় এই হাজাৰ হাজাৰ ভগনীয়াৰ আশাহীন, নিৰাপত্তাহীন পদব্ৰজে কৰা পশ্চাদপসৰণক বুৰঞ্জীবিদসকলে কৈছিল- 'It was one of the most bilder retreat of modern time.'

জাপানে চীনৰ বিৰুদ্ধে মুঠ সৈন্যবলৰ এক তৃতীয়াংশতকৈয়ো অধিক সৈন্য নিয়োগ কৰিছিল। কুনমিঙত ছিয়াংকাই শ্বেকক প্ৰেচিডেণ্ট

ফ্ৰেংকলিন ডা ৰুজ্ঞভেল্টে ৰচদ পাতিৰে সহায় কৰিছিল, যাতে জাপানী সেনা তাতে ব্যস্ত হৈ থাকে আৰু কোনো কাৰণতে আমেৰিকান সেনা বৃহৎ জাপানী সেনাৰ মুখামুখি হ'বলগীয়া নহয়। কিন্তু ব্ৰহ্মদেশ অধিকাৰ কৰি জাপানী সেনাই কুনমিঙলৈ সামগ্ৰী কঢ়িওৱা চীনৰ জীৱনৰেখা স্বৰূপ বাৰ্মাৰ'ড বন্ধ কৰি দিয়াত জটিলতা আহি পৰে। এই বিখ্যাত ১১৪৪ কিঃমিঃ দৈৰ্ঘৰ বাৰ্মাৰ'ড ১৯৩৭-৩৮ চনত দুই লাখ চীনা শ্ৰমিকে হাতত চিপৰাং-বেলচা লৈ কেতিয়াবা উদং হাত দুখনেৰে প্ৰায় বিনা পাৰিশ্ৰমিকে নিৰ্মাণ কৰে। বাৰ্মাৰ'ডৰ বিকল্প হিচাপে হিমালয়ৰ ১৬-২০ হাজাৰ উচ্চতাৰে ভাৰতবৰ্ষৰ পৰা চীনলৈ বিমানেৰে ইন্ধন-ৰছদপাতি যোগান ধৰিব লগীয়া হৈছিল। অসমৰ যোৰহাট লিডুৰ পৰা কুনমিঙলৈ বৈমানিকসকলৰ পাটকাই পাংচাও নংয়াঙৰ ওপৰেৰে বিমান উৰিছিল। আমেৰিকাৰ পৰা ভাৰতবৰ্ষ হৈ চীনৰ কুনমিঙলৈ এইটোৱে আছিল সমগ্ৰ পৃথিৱীৰ ভিতৰত আকাশমাৰ্গৰ দীৰ্ঘতম আৰু জটিল যোগান পথ। দুৰ্যোগপূৰ্ণ বতৰ, আহুকলীয়া পৰ্বতবোৰত বতৰৰ সঘন সলনি, প্ৰৱল তুষাৰপাতৰ কাৰণে দ্বিতীয় মহাসমৰৰ এই পথছোৱা আছিল বৈমানিকসকলৰ কাৰণে ত্ৰাসৰ কাৰণ। বহু সময়ত দুৰ্ঘটনাত পতিত এচলীয়া পাহাৰৰ য'তে ত'তে সিঁচৰিত হৈ পৰি থকা বিমানৰ ধ্বংসাৱশেষবোৰ চায়ে বৈমানীকসকলে পথ নিৰ্বাচন কৰিবলগীয়া হৈছিল। বিমান চালকসকলে সেয়ে এই আকাশীপথৰ নাম দিছিল- 'ডী হাম্প'- পৃথিৱীৰ কুঁজ। যুদ্ধৰ সময়ত এই আহুকলীয়া পথেৰেই লিডুৰ পৰা কুনমিঙলৈ ৬ লাখ মেট্ৰিক টন সামগ্ৰীৰ ৰপ্তানি কৰা হৈছিল। অধিক সামগ্ৰী কঢ়িওৱাৰ স্বাৰ্থত বিপদৰ সময়ত ব্যৱহাৰ কৰা সামগ্ৰীসমূহো বিমান কৰ্তৃপক্ষই আঁতৰাই পেলাইছিল। বিনিময়ত এই সবাতকৈ অসঞ্জাতি আকাশমাৰ্গত ৬০০ উৰাজাহাজ আৰু অন্যান্য সামগ্ৰীৰ লগতে ১০০০ জন লোকে দুৰ্ঘটনাত প্ৰাণ বিসৰ্জন দিছিল। আকাশত ছয়াময়া মেঘৰ আচ্ছাদন, প্ৰচণ্ড বৰষুণ আৰু বহু দুৰ্লংঘ্য পাহাৰ-পৰ্বত অতিক্ৰম কৰি শ্ৰান্ত-ক্লান্ত হৈ পৰা অনেক বৈমানিকে খামজং উপত্যকাত অৱতৰণ কৰিব বিচাৰি হয়তো তলৰ জলাশয়, সমতল ভূমি, বোকাপানী আৰু অটব্য জংঘলৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈ অনিবাৰ্যভাৱে নংয়াঙৰ গভীৰ পানীত হেৰাই গৈছিল। অথবা নংয়াঙৰ কাষৰ ডাঠ হাবিত আশ্ৰয় লৈ থকা জাপানী সেনাৰ অক্ৰমণৰ চিকাৰ হৈয়ো বহু বিমান হেৰাই গৈছিল নংয়াঙৰ বুকুত। তদুপৰি নংয়াং হ্ৰদত সাঁতুৰিবলৈ গৈয়ো বহু আমেৰিকান সেনা ঘন বোকাত পোতগৈ চিৰদিনৰ বাবে হেৰাই গৈছিল বুলি জনা যায়। সেই কাৰণে সেনাবাহিনীৰ মাজত পাংচাও পাচ (Hell Pass) আৰু নংয়াং হ্ৰদ 'লেক অৱ ন ৰিটাৰ্ণ' হিচাপে খ্যাত হৈ পৰিছিল। হ্ৰদটোৰ পাৰত অনেক ভগা-চিগা লোৰ টুকুৰা, পাইপ আদিৰ উপৰিও হ্ৰদৰ পানীত ফটোগ্ৰাফী কৰি যুদ্ধৰ সময়ত ব্যৱহাৰ হোৱা উৰাজাহাজৰ ভগ্নাৱশেষৰ সন্ধান পোৱা গৈছে।

জাপানে বাৰ্মাৰ'ড স্তব্ধ কৰি দিয়াত আৰু বিপদসঙ্কুল অকল 'ডী-হাম্প' আকাশী পথেৰে কুনমিঙলৈ যুদ্ধৰ সামগ্ৰী যতি নপৰাকৈ যোগান ধৰা কাৰ্য দুৰূহ হৈ পৰে। দুৰ্যোগৰ এই চৰম মুহূৰ্তত প্ৰায় অখ্যাত, বিশৃঙ্খল বুলি বিবেচিত সেনাবাহিনীৰ গুৰু দায়িত্ব ল'বলৈ আগবাঢ়ি আহে জেনেৰেল জোচেফ ৱাৰেণ ষ্টীলৱেল। উদ্বিগ্ন ষ্টীলৱেল বিকল্প পথৰ সন্ধানত তৎপৰ লৈ উঠিল। অৱশেষত গভীৰ বৰ্ষাৰণ্য, কোমল বোকামাটি, দ-খাত, থিয় পাহাৰ-পৰ্বত, অস্বাস্থ্যকৰ সেমেকা জলবায়ু, মেলেৰিয়া আদিৰ প্ৰাদুৰ্ভাৱকো আওকান কৰি লিডুৰ পৰা পাংচাও পাচ, ব্ৰহ্মদেশৰ হুকং উপত্যকা আৰু মিচিনা হৈ কুনমিঙলৈ ৰাস্তা তৈয়াৰ কৰাৰ পৰিকল্পনা চূড়ান্ত কৰিলে ষ্টীলৱেলে। বৃটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে আৰম্ভণিৰে পৰা বিৰোধিতা কৰিলে। কিন্তু আমেৰিকানসকল বদ্ধপৰিকৰ; যিকোনো ত্যাগৰ বিনিময়ত ৰাস্তা তৈয়াৰ কৰি জাপানক প্ৰতিহত কৰিবই। সুদূৰ আমেৰিকাৰ পৰা কলকাতা হৈ ৰাস্তা নিৰ্মাণ কৰা আধুনিক যন্ত্ৰ-পাতি লিডু পালেহি। সুসজ্জিত আমেৰিকান সেনাৰ বুটজোতাৰ গচকত পাটকাই কঁপি উঠিল। পুনৰ মুখৰ হৈ উঠিল পাটকাই পাংচাও। ২৮ হাজাৰ নিগ্ৰো সেনা, ৩৫ হাজাৰ ভাৰতীয়, বৰ্মা আৰু চীন শ্ৰমিকৰ তেজেলিখা ইতিহাসেৰে ২৫ কোটি ডলাৰ ব্যয় সাপেক্ষে পাটকাইৰ বক্ষ বিদীৰ্ণ কৰি অসমৰ পৰা বৰ্মাহৈ কুনমিঙলৈ ৰাস্তা তৈয়াৰ হ'ল দুবছৰৰো কম সময়ত। তাত ২০০ টা ভাষা- দোৱান কোৱা চীনা, কাচিন, লিডু, শ্বান, বিহাৰী, উৰিয়া, বঙালী আৰু অসমৰ নেপালী, গাৰো, বড়ো, ৰাভা, নগা, চাহবাগিছা আদিৰ কৰ্মীয়ে শ্ৰমদান কৰিছিল। প্ৰতিকুল পৰিৱেশত কৰুণভাৱে মৃত্যু মুখত পৰিছিল ৩৭ হাজাৰ সৈনিক-শ্ৰমিক। আমেৰিকান সৈন্যসকলে এই গিৰিপথৰ নাম দিলে- Man a mile road[১৪], ছিয়াংকাই শ্বেকৰ পোষকতাত এই পথটো ষ্টীলৱেলৰ নামেৰে ৰখা হ'ল ষ্টীলৱেল ৰ'ড। যুদ্ধৰ সময়ত এই পথেৰে ৫০০০ খন গাড়ীৰে কঢ়িওৱা হৈছিল ৩৫০০০ টন সামগ্ৰী। জাপানী সেনা পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। হিৰোচিমা আৰু নাগাচাকিত এটম বোম পেলাই আমেৰিকাই অমোচনীয় কলঙ্ক ৰচিলে। ৭২ খন দেশ, ১৭০ কোটি মানুহ, ১১ কোটি সৈনিক জড়িত হৈ পৰা ২য় মহাসমৰত ৫ কোটিৰো অধিক মানুহৰ আত্মবলিদানৰ বিনিময়ত

আমেৰিকাই নিজকে বিজয়ী বুলি ঘোষণা কৰিলে। মানৱ ইতিহাসৰ এয়া সৰ্বকালৰ দুঃসময়, এক কলঙ্কিত অধ্যায়। আমেৰিকাৰ সেনাই বিদায় মাগিলে; লগে লগে দুঃসময়ৰ ব্যস্ততম গিৰিকন্যা পাটকাই, পাংচাও, নংয়াঙলৈ নামি আহিল মৰিশালীৰ নিস্তব্ধতা। শত শত যুগৰ অলেখ ঐতিহাসিক প্ৰাকৃতিক ঘটনা পৰিঘটনাৰ নীৰৱ সাক্ষী এই পাহাৰ, গিৰিপথ, উপত্যকা, সৰোবৰ আজি পাহৰণিৰ অটল গৰ্ভত, এক বিস্মৃত অতীত।

ইতিহাসৰ পুনৰাবৃত্তি হয়। ২য় মহাযুদ্ধৰ তিনিকুৰিৰো অধিক কাল পিচত পাটকাই, পাংচাও, হুকং উপত্যকাত হেৰাই যোৱা ষ্টীলৱেল ৰ'ড পুনৰ জাগ্ৰত কৰা প্ৰচেষ্টা চলিছে। ১৭২৬ কিঃমিঃ দৈৰ্ঘ্যৰ ষ্টীলৱেল ৰ'ডৰ ১০৩৩ কিঃমিঃ আছে চীনদেশত, ৬৩২ কিঃমিঃ ম্যনমাৰত আৰু বাকী ৬১ কিঃমিঃ হে ভাৰতৰ অন্তৰ্ভূক্ত। চীনদেশৰ ভিতৰুৱা অংশ কেতিয়াবাই উন্নত কৰা হৈছে। ১৯৯১-৯২ চনৰ ভাৰতবৰ্ষৰ 'পূবলৈ চোৱা নীতি'ৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে অসমত থকা অংশৰ ৫৮ কিঃমিঃ ১৫০ নং ৰাষ্ট্ৰীয় ঘাইপথ ঘোষণা কৰি সীমান্তলৈকে উন্নীত কৰিছে। ম্যানমাৰৰ ফালৰ চিমকুইয়াঙলৈকে প্ৰায় ১২০ কিঃমিঃ পথহে অচল হৈ আছে। এই পথ যাতায়তৰ উপযোগী কৰি তুলিলে অসম দক্ষিণ-পূব এচিয়ালৈ যোৱা মুখ্যদ্বাৰ হৈ পৰিব। ফলত পৰ্য্যটন, ব্যৱসায় আদিৰে অসম লাভান্বিত হ'ব, চোৰাং ব্যৱসায় বন্ধ হ'ব, উগ্ৰপন্থা নাশ হ'ব। এচিয়া সংযুক্ত মজবুত পথ, তেলৰ পাইপ-লাইন, ৰেল যোগাযোগ, শক্তি বিনিময়, কাৰ্য্যক্ষম মানৱ সম্পদ, তথ্য আৰু প্ৰযুক্তিবিদ্যাৰে উত্তৰ-পূৰ্বাঞ্চল দ্ৰুত উন্নয়নশীল অঞ্চল হৈ পৰিব। 'লুক ইষ্ট পলিচি'য়ে অসমলৈ মাথো উন্নয়নৰ সম্ভাৱনা অনাৰ বিপৰীতে ইয়াৰ অনাগত নেতিবাচক পৰিণতিৰ বিষয়েও কিছু চিন্তাশীল ব্যক্তিয়ে শঙ্কা প্ৰকাশ কৰিছে। পাটকাইৰ সিপাৰৰ দক্ষিণ-পূব এচিয়াৰ এই ভূ-খণ্ড আজিও যেনৰ ৰহস্যৰে আবৃত। চীন, ম্যানমাৰ, বাংলাদেশ, পাকিস্তানৰ ভাৰতৰ প্ৰতি বন্ধুত্বপূৰ্ণ মনোভাৱ এতিয়াও সন্দেহৰ উৰ্দ্ধত নহয়। আনহাতে এইকেইখন ৰাজ্যৰ পাৰস্পৰিক সহযোগীতা মন কৰিবলগীয়া। পাকিস্তানে ম্যানমাৰক মাৰণাস্ত্ৰেৰে সহায় কৰাটো পুৰণি অভিযোগ। কোৰিয়া বৰ্তমান ম্যানমাৰৰ নিউক্লিয়াৰ সহযোগী ৰাষ্ট্ৰ। লাওচ, ভিয়েটনাম, ম্যানমাৰ, ড্ৰাগছৰ সোণালী ত্ৰিভুজ, য'ৰ পৰা মিজোৰামেৰে সেই ড্ৰাগছ আহি অসম সোমায়। সন্ত্ৰাসবাদ, এইড্‌চ, আফিং, হিৰ'ইন অবৈধ মাৰণাস্ত্ৰৰ এইবোৰ অঞ্চল প্ৰাণকেন্দ্ৰ। ৰঙা চীনক চিনা টান। পণ্ডিত নেহৰু, কৃষ্ণ মেনন, বি.এম. মল্লিক, জেনেৰেল কোল্লৰ 'দিল্লি কেন্দ্ৰিক পলিচি'ৰে ১৯৬২ চনত চীনক অনাহুত আক্ৰমণ, দালাই লামাক ৰাজনৈতিক আশ্ৰয় দিয়া আদি কাৰণত চীন ভাৰতৰ প্ৰতি ৰুষ্ট। অৰুণাচল নিজৰ বুলি দাবী কৰা চীনে ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীয়ে অৰুণাচল ভ্ৰমণ কৰিলে প্ৰতিবাদ জনায়; কিন্তু অৰুণাচলবাসীক পাচপ'ৰ্ট-ভিছা অবিহনে চীন ভ্ৰমণৰ অনুমতি দিয়ে। ড্ৰ'ণ আক্ৰমণৰ বাবে ভাৰতৰ মাটি আমেৰিকাই ব্যৱহাৰ কৰিব বিচাৰিলেও আপত্তি দৰ্শাই অথচ সেই চীনেই ম্যানমাৰৰ সাগৰীয় পথেৰে জাহাজ-চাবমেৰিণত ম্যানমাৰৰ পতাকা উৰাই ভাৰতৰ সাগৰীয় উপকূল অঞ্চলৰ চোৰাং তথ্য সংগ্ৰহ কৰে বুলি অভিযোগ আছে। লাডাখ আৰু জম্মু-কাশ্মীৰেৰে অপ্ৰৰোচিতভাৱে আন্তৰ্জাতিক সীমা উলংঘন কৰি চীনা সেনাই ভাৰতৰ মাটি নিজৰ বুলি সঘনাই দাবী কৰি আহিছে। চীনে বাংলাদেশৰ সোণাদিয়াত এটি অত্যাধুনিক বিমানবন্দৰ, পাকিস্তানৰ গদৰ নামৰ ঠাইত সামুদ্ৰিক বন্দৰ আৰু শ্ৰীলংকাৰ হামবানটোটা বন্দৰটো নতুন প্ৰযুক্তিৰে উন্নত কৰাৰ ব্যৱস্থা কৰিছে। কম্বোদিয়া, মৰিচাচ আৰু পূব-আফ্ৰিকাৰ সৈতেও সামুদ্ৰিক যাতায়ত স্থাপন কৰিছে। আন্তঃৰাষ্ট্ৰীয় নীতি-নিয়ম বিসৰ্জন দি ব্ৰহ্মপুত্ৰৰ জাংমো, ডাগু, জিয়াসা, জিয়েসু আদি বৃহৎ নদী বান্ধ দি অসম তথা ভাৰতৰ সৰ্বনাশ কৰিবলৈ ওলাইছে। চীনদেশৰ বৈদেশিক নীতি অতি উন্নত। ২০১৩ চনৰ প্ৰতিৰক্ষা শিতানত ধাৰ্য্য কৰিছে ১১৯ বিলিয়ন ডলাৰ, যি পৰিমাণ ভাৰতৰ তিনিগুণ। কোনো প্ৰকাৰে ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কৰিডৰস্বৰূপ — শিলিগুৰি অঞ্চল যদি উগ্ৰপন্থীৰ দ্বাৰা বন্ধ কৰি দিয়া হয়, যিটো চীনে ইচ্ছা কৰিলে বাংলাদেশ আৰু অসমত থকা বাংলাদেশীৰ সহায়ত সহজে কৰিব পাৰে; তেতিয়া অসমৰ বিপদ অনিবাৰ্য। ভৱিষ্যতে অনাকাংখিত বিপদৰ সময়ত অসমীয়া মানুহে আশ্ৰয় ল'ব পৰা ৰাজ্যকেইখন হ'ল পশ্চিমবংগ, বিহাৰ আৰু উৰিষ্যা অথচ অসমীয়া মানুহৰ এই চুবুৰীয়া ৰাজ্যকেইখনৰ সৈতে সদ্‌ভাৱ কম। ইতিমধ্যে বিভিন্ন জাতি-জনগোষ্ঠীৰ নামত বিচ্ছিন্ন হৈ পৰা সকলোৱে অনাগত ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি একহৈ নাগালেণ্ড, মণিপুৰ, মিজোৰাম আদি ৰাজ্যসমূহৰ সৈতেও সমন্বয়ৰ দোলেৰে বান্ধ খাই শত্ৰুপক্ষৰ আক্ৰমণৰ বিপক্ষে মাৰবান্ধি প্ৰতিৰোধ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া উচিত বুলি চিন্তাবিদসকলে মন্তব্য আগবঢ়াইছে। কোনেও নাজানে নংয়াং, পাংচাও গিৰিপথ, খামজাং উপত্যকা সন্নিবিষ্ট পাটকাই পৰ্বতমালাই উদাৰ বক্ষত অনাগত ভৱিষ্যতে কি ঘটনা-পৰিঘটনা সামৰি লয়। সেয়া ক'ব ক্ষমাহীন সময়েহে।♥